# চতুৰ্থ অধ্যায়

## নাৰী ঃ স্বৰূপ , স্থিতি , চিত্ৰণ

৪.১ নাৰীঃ দৃষ্টি আৰু চিত্ৰণৰ ভিন্নতা ১৭২

৪.২.০ অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণ ১৯৪

৪.২.১ প্ৰাচীন অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণ ১৯৭

৪.২.২ আধুনিক অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণ ২০২

Created by Universal Document Converter

# চতুৰ্থ অধ্যায়

## নাৰী ঃ স্বৰূপ , স্থিতি , চিত্ৰণ

### ৪.১ নাৰী ঃ দৃষ্টি আৰু চিত্ৰণৰ ভিন্নতা

নাৰী হ'ল সমাজৰ এক অবিচ্ছেদ্য অংগ। নাৰী আৰু পুৰুষে মিলি এই সমাজখন গঢ়ে। চিন্তাবিদসকলে সমাজখনক এখন আকাশৰ লগত তুলনা কৰি, নাৰীক অৰ্ধ আকাশ বুলি অভিহিত কৰিছে। অৰ্ধ আকাশ স্বৰূপা নাৰীয়ে সদায় অৰ্ধাংগিনী ৰূপত পুৰুষক প্ৰেৰণা যোগাই আহিছে। নাৰী হ'ল সমাজৰ কেন্দ্ৰবিন্দু স্বৰূপা। নাৰীক প্ৰেম ,প্ৰেৰণা আৰু কৰুণাৰ প্ৰতীক বুলি গণ্য কৰা হয়। নাৰীক কেন্দ্ৰ কৰিয়েই পাৰিবাৰিক জীৱনত মৰম-স্নেহ, সুখ-শান্তিৰ ভেটি গঢ়ি উঠে। মানুহ হিচাপে নাৰী আৰু পুৰুষ উভয়ৰে সামাজিক স্থান আৰু অধিকাৰ সমান হোৱা উচিত যদিও নাৰীৰ ক্ষেত্ৰত এয়া প্ৰযোজ্য হোৱা দেখা নাযায়। ভাৰতীয় সংস্কৃতিত আমাৰ জন্মভূমি পৃথিৱীখনকো নাৰী বুলি গণ্য কৰা হৈছে। শস্য-শ্যামলা বসুন্ধৰা এই পৃথিৱীখনে মাতৃৰূপেৰে জীৱজগতক লালন পালন কৰে। এই নাৰীৰূপী বসুন্ধৰাৰ বুকুতে জীৱই জনম লয় আৰু মৃত্যুৰ পিছত পৃথিৱীৰ বুকুতেই লয় হয়। জাতি এটাৰ সমাজ আৰু সভ্যতাৰ বিকাশৰ আঁৰত নাৰীয়ে সদায় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সেয়েহে সমাজত নাৰীৰ স্থান আৰু মৰ্যাদা সম্পৰ্কে জ্ঞান আহৰণ কৰিব নোৱাৰিলে সমাজ এখনৰ সম্পূৰ্ণ ছবি দেখিবলৈ পোৱা সম্ভৱপৰ নহয়। সেই বাবেই নাৰীৰ বিষয়ে অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। হয়তো সেইহেতুকে প্ৰাচীন কালৰে পৰা নাৰীয়ে বিভিন্ন ৰূপত সাহিত্যত স্থান লাভ কৰি অহা দেখা গৈছে। প্ৰকৃততে জীৱনৰ প্ৰতিটো স্তৰতেই নাৰী বিভিন্ন ৰূপত আবিৰ্ভূত হয়। নাৰীয়ে মাতৃ, ভগ্নী, পত্নী বা প্ৰেয়সী ৰূপে পৰিয়াল আৰু পুৰুষক সাহচৰ্য আগবঢ়াই আহিছে। মৰম, দয়া, প্ৰেম, সহিষ্ণুতা, অনুভূতি প্ৰৱণতা আাদি গুণেৰে বিভূষিতা নাৰীক যেনেকৈ মহিয়সী আখ্যা দিয়া যায়, ঠিক তেনেকৈ পুৰুষৰ মনত ৰহস্যঘন কুহেলিকা সৃষ্টিকাৰিণী নাৰীক ছলনাময়ী নাৰী বুলিও কোৱা হয়। চাণক্যই নাৰী চৰিত্ৰৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে—

Created by Universal Document Converter

স্ত্ৰীণাং দ্বিগুণমাহাৰো বুদ্ধিস্তাসাং চতুৰ্গুণাঃ।

সাহসঃ ষড় গুণশ্চৈৰ কামাশ্চষ্টো গুণঃ স্মৃতঃ ।।

(অৰ্থাৎ পুৰুষতকৈ নাৰীয়ে দুগুণ আহাৰ খায়, বুদ্ধি তেওঁলোকৰ চাৰিগুণ, সাহস ছয়গুণ আৰু কামনা আঠগুণ)।

(শৰ্মা, ২০০৯, পৃঃ ৪)

সমগ্ৰ বিশ্বজুৰি এটা কথা বিশ্বাস কৰি অহা হৈছে যে প্ৰতিজন পুৰুষৰ সফলতাৰ আঁৰত একোগৰাকী নাৰী থাকে। এগৰাকী নাৰী মাতৃ , ভগ্নী ,বান্ধৱী ,পত্নী বা প্ৰেমিকাৰ ৰূপত একোজন পুৰুষৰ প্ৰেৰণাৰ কাৰক হ'ব পাৰে। সেয়েহে পৃথিৱীৰ প্ৰায়বোৰ প্ৰথিতযশা মনীষীৰ জীৱনত নাৰীৰ অসামান্য প্ৰভাৱ দেখিবলৈ পোৱা যায়। হিন্দু ধৰ্মশাস্ত্ৰত উল্লেখ আছে যে পৰম পুৰুষে সৃষ্টি কাৰ্য আৰম্ভ কৰোঁতে নিজৰ দেহৰ বাওঁফালটো নাৰী আৰু সোঁফালটো পুৰুষ হিচাপে সৃষ্টি কৰিছিল। পৰমপুৰুষৰ এই ৰূপটোক অৰ্ধনাৰীশ্বৰ আখ্যা দিয়া হয়। বাওঁফালৰ এই নাৰীৰ ৰূপটোৱেই হৈছে প্ৰকৃতি। এই প্ৰকৃতিয়েই আদ্যাশক্তি, মহামায়া, জগত জননী। ( ভৰালী, ২০১২, পৃঃ ১৪ ) ভাৰতীয় দৰ্শনে নাৰী পুৰুষতকৈ অধিক শক্তিশালী বুলি বিশ্বাস কৰি অহিছে। তাৰেই ফলত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত শক্তিক পূজা কৰা প্ৰথা আৰম্ভ হৈছিল , যাতে ভিন ভিন দেৱীৰ ৰূপত শক্তিয়ে অপায়, অমংগল , অসূয়া আৰু অসুৰক বিনাশ কৰে তাকেই কল্পনা আৰু কামনা কৰা হৈছিল। স্বয়ং ভগৱানৰ অৱতাৰৰূপী শ্ৰীৰামেও ৰাৱণ বধৰ আগতে শক্তি ৰূপিণী মা-দুৰ্গাৰ অকাল-বোধনৰ আয়োজন কৰিহে যুদ্ধত অৱতীৰ্ণ হোৱাৰ কাহিনী বিবৃত হৈছে । গৃহিণী এগৰাকীৰ হাতৰ পৰশ নপৰালৈকে এখন ঘৰ চাৰিখন বেৰ আৰু এখন চাল হয়েই থাকে। সকলো দিশৰে পৰা ঘৰখনৰ মানদণ্ড নিৰ্ণয় কৰে গৃহিণীগৰাকীৰ আচাৰ -ব্যৱহাৰ, কৰ্ম নিপুণতা, বুদ্ধিমত্তা আদিৰ ওপৰত। চাণক্যয়ো কৈছে —

ঘৰখনেই প্ৰকৃতাৰ্থত ঘৰ নহয়, গৃহিণী বা পত্নীগৰাকীক লৈহে আচল ঘৰখন। কাৰণ পুৰুষে তেওঁৰ লগতেই সফল পুৰুষাৰ্থ উপভোগ কৰে; পণ্ডিতগণে এইবুলিয়েই কৈছে। (গগৈ,২০১৪,পৃঃ ৩৫)

Created by Universal Document Converter

বেদীত প্ৰতিষ্ঠা কৰি নাৰীক যিদৰে পূজা কৰা হয় , সেইদৰে নাৰীক পুৰুষৰ বাবে ভোগৰ সামগ্ৰী ৰূপেও ব্যৱহাৰ কৰা হৈছিল। প্ৰাচীন ভাৰতৰ মন্দিৰসমূহত দেৱতাৰ হকে দেৱদাসী হিচাপে সুন্দৰী নাৰী উছৰ্গিত হৈছিল। দক্ষিণ ভাৰত আৰু উৰিষ্যাত এনে দেৱদাসীসকল মন্দিৰৰ পূজাৰী বা আন প্ৰতিপত্তিশীল নাগৰিকৰ ভোগৰ সামগ্ৰী হৈ পৰিছিল। প্ৰাচীন অসমতো দেৱদাসী প্ৰথাৰ প্ৰচলন আছিল। ৰজা বলবৰ্মনে (আনুমানিক ৮৩০-৮৯০ খ্ৰীঃ) ৰাজধানী হাৰুপেশ্বৰত ( বৰ্তমানৰ তেজপুৰ) হাটকাশূলিন (শিৱ) মন্দিৰ পুনৰ্নিমাণ কৰি তালৈ দেৱদাসী আগবঢ়াইছিল। সেইদৰে হাজোৰ হয়গ্ৰীৱ - মাধৱ আৰু কামৰূপৰ ডুবিৰ মন্দিৰত প্ৰচলন থকা দেৱদাসী প্ৰথাই মধ্যযুগীয় অসমত নাৰীৰ মৰ্যাদা নিম্নগামী হোৱাৰ কথা প্ৰমাণ কৰে। ৰজা বনমাল বৰ্মাদেৱৰ (আনুমানিক ৮৩৫-৮৬৫ খ্ৰীঃ) তেজপুৰ ফলিত অসমত গণিকা প্ৰথাৰ উল্লেখে একালত যে নাৰী পুৰুষ সমাজত ভোগ্য বস্তুত পৰিণত হৈছিল তাৰ সাক্ষ্য প্ৰদান কৰে। (বৰুৱা আৰু গগৈ বৰগোহাঁই, ২০০২, পৃঃ ৪৬)

অসমীয়া সমাজত জনপ্ৰিয়তাৰ দিশৰ পৰা ডাক পুৰুষ বা ডাকৰ বচনসমূহে হিন্দুসমাজৰ মনুস্মৃতিৰ সমপৰ্যায় পাইছে। অৱশ্যে সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে ডাক বুলি কোনো নিৰ্দিষ্ট ব্যক্তি নাছিল, বৰং মুখে মুখে চলি অহা জন-হিতকৰ বাক্য বা জন-প্ৰবাদসমূহকেই সমাজে ডাকৰ বচন বুলি মানি লৈছিল। (শৰ্মা, ২০০৯,পৃ ঃ ৪৩-৪৪) অসমত এই ডাকৰ বচনক বহুতেই বেদৰ বাণীৰ দৰে জ্ঞান কৰে। ডাকৰ বচনতো বিবাহৰ বাবে কইনা চোৱা প্ৰথাত নাৰীক পণ্যসামগ্ৰীৰ লগত তুলনা কৰি নিৰ্বাচন কৰাৰ উপদেশ দিয়া দেখা যায়,

উভতা লোম গায়ত দেখা ।
গলত দেখিবা তিনি ৰেখা ।।
কুৰকুটা কেশ দীঘল নাক ।
এৰিবা সি কন্যাক কহিছে ডাক ।।

প্ৰাচীন কালৰ আৰ্য নাৰীয়ে পুৰুষৰ দৰেই মুক্ত জীৱন যাপন কৰাৰ কথা প্ৰাচীন সাহিত্যত উল্লেখ

Created by Universal Document Converter

আছে। হিন্দু শাস্ত্ৰই নাৰীক লখিমীৰূপে আদৰ কৰি গৃহস্থালিত উচ্চ মৰ্যাদা দিছিল। বৈদিক যুগত নাৰীসকলে শিক্ষাৰ পোহৰেৰে নিজৰ জীৱন উজ্জ্বল কৰি ৰাখিবলৈ সমৰ্থ হৈছিল। তাৰ প্ৰমাণ স্বৰূপে গাৰ্গী, মৈত্ৰেয়ী, বাক, লীলাৱতী, আদি বিদূষী, মন্ত্ৰ সৃষ্টি কাৰিণী, জ্যোতিৰ্বিদ, গণিতজ্ঞ আদি বৈদিক সাহিত্যত উল্লেখ থকা বিভিন্ন নাৰীৰ নামৰ উল্লেখ পোৱা যায়। যজ্ঞ আদি ধৰ্মীয় কাৰ্যত স্বামীৰ সৈতে পত্নীয়ে অংশগ্ৰহণ কৰিলেহে সেই কাৰ্য সম্পূৰ্ণ হোৱা বুলি গ্ৰহণ কৰা হৈছিল। (Bhushan and Sachdeva (ed) ,1995, p.346) এনে ক্ষেত্ৰত দ্ৰৌপদী, সীতা, ৰাধা আদিৰ চাৰিত্ৰিক বৰ্ণনাৰ পৰা সেই সময়ৰ নাৰীৰ গতি-বিধিৰ এটা চমু আভাস লাভ কৰিব পৰা যায়। বৈদিক যুগৰ পৰা প্ৰাক স্বাধীনতা যুগলৈকে ভাৰতীয় নাৰীৰ সামাজিক স্থান আৰু মৰ্যাদাৰ অলেখ উত্থান পতন ঘটা দেখিবলৈ পোৱা যায়। বৈদিক যুগৰ ধৰ্ম-গ্ৰন্থসমূহৰ পৰা এই কথাই প্ৰতীয়মান হয় যে সেই যুগত নাৰীয়ে সমাজত উচ্চ আসন আৰু মৰ্যাদা লাভ কৰিছিল। বৈদিক যুগত নাৰীয়ে দশ সংস্কাৰ, উপনয়ন আৰু ব্ৰহ্মবিদ্যা চৰ্চা কৰি ব্ৰহ্মবাদিনী খিতাপ অৰ্জন কৰিছিল। আনকি ছাত্ৰ অধ্যাপনাৰ ক্ষেত্ৰতো নাৰী নিযুক্ত হৈছিল।

> বেদৰ অধ্যাপনাত নাৰী নিযুক্ত হোৱাৰ অন্য এক প্ৰমাণ হৈছে উপাধ্যায়া , উপাধ্যায়ী, আচাৰ্যা আদি পাণিনীয় শব্দবোৰ। যি বেদজ্ঞ ব্ৰাহ্মণে শিষ্যৰ উপনয়ন কৰাই বেদ পঢ়ায় তেওঁক উপাধ্যায় বোলা হয়। ব্যাকৰণ মতে, যি স্বয়ং অধ্যাপনা কৰে তেওঁক উপাধ্যায়া, উপাধ্যায়ী, আচাৰ্যা আদি আদি শব্দৰে বুজোৱা হয়; আনহাতে যি অধ্যাপনা নকৰে , অধ্যাপকৰ পত্নী মাত্ৰ, তেওঁক উপাধ্যায়ানী, আচাৰ্যাণী আদি শব্দেৰে বুজোৱা হয়। মীমাংসকল (যথা) কয় যে বেদত স্বৰ্গকামোশ্বমেধেন য়জেত ইত্যাদি বিধিবাক্যত পুৰুষ আৰু নাৰী উভয়কে অশ্বমেধৰ বিধান দিয়া হৈছে, অৰ্থাৎ বুজিব লাগিব যে যজ্ঞ সম্পাদনাত দুয়োৰে সমান অধিকাৰ আছে।
>
> (ভৰালী আৰু কলিতা (সম্পা),২০১১ , পৃ ৪৯)

কিন্তু *মনুসংহিতা*কে আদি কৰি প্ৰায় সকলো স্মৃতি শাস্ত্ৰতে নাৰীৰ মৰ্যাদা ক্ৰমান্বয়ে অৱনমিত হোৱা দেখা গ'ল। স্মৃতিশাস্ত্ৰত নাৰীক শূদ্ৰৰ সমপৰ্যায়ত গণ্য কৰা হ'ল আৰু বেদ অধ্যয়ন , বেদৰ মন্ত্ৰ উচ্চাৰণ আদি কাৰ্যৰ পৰা তেওঁলোকক বিৰত ৰখা হ'ল। অৱশ্যে *মনুসংহিতাত* ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য নাৰীৰ কাৰণেও

Created by Universal Document Converter

উপনয়নৰ বিধান আছে। অন্যান্য স্মৃতিশাস্ত্রত কিন্তু উপনয়ন পুৰুষৰ বাবেহে নির্ধাৰণ কৰা আছে। (ভৰালী আৰু কলিতা (সম্পা),২০১১ , পৃ ৪৯) ভাৰতত বুদ্ধদেৱ আৰু মহাবীৰ আবির্ভাৱ হোৱাৰ আগৰ সময়ছোৱাতেই ক্ৰমাৎ সমাজত নাৰী শৃংখলিত হৈ পৰে। শিক্ষা, ৰাজনীতি, সামাজিক কাম-কাজ আদিত ক্ৰমান্বয়ে নাৰী প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হয়। অৱশ্যে খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ বৌদ্ধধৰ্মীয় ভাৰতীয় সমাজত নাৰীক শান্তি আৰু জনকল্যাণৰ হকে ধৰ্ম প্ৰচাৰ কৰিবলৈ সুযোগ দি নাৰীৰ স্থান আপেক্ষিক উন্নত হোৱাত সহায় কৰে। অশোক দুহিতা সংঘমিত্রা তাৰ জ্বলন্ত উদাহৰণ। কিন্তু পিছলৈ ভাৰতত মোগলৰ দৰে বিদেশী শক্তিৰ আগমনে পুনৰ নাৰীৰ সামাজিক মৰ্যাদা নিম্নগামী কৰি তোলে। বিশেষকৈ মুছলমান শাসকসকলে শাসনভাৰ লোৱাৰ পিছত নাৰীৰ সামাজিক মৰ্যাদা অধিক সংকুচিত হৈ পৰে। সেই সময়ত আনকি সুন্দৰী নাৰী দেখিলে মুছলমান শাসকসকলে বলপূর্বক নিজৰ কৰি ল'বলৈ ধৰাত নাৰীৰ মুকলিমূৰীয়া গতি-বিধি বাধা প্রাপ্ত হোৱা দেখা যায়। লগতে ভাৰতীয় সমাজৰ পুৰুষসকলে নাৰীক ৰক্ষণাবেক্ষণ দিয়াটো নিয়মত পৰিণত হ'বলৈ ধৰিলে। নাৰীৰ ওপৰত অধিক কর্তৃত্ব লাভ কৰাৰ ফলস্বৰূপে নাৰীৰ ওপৰত পুৰুষৰ শাসনো অধিক কটকটীয়া হৈ পৰিল । তাৰ ফলত পাৰিবাৰিক অশান্তিৰো সূত্ৰপাত ঘটিল। পৰিয়ালৰ অশান্তি ৰোধ কৰাৰ বাবে নাৰীৰ স্বাধীনতাত হস্তক্ষেপ কৰিবলৈ পুৰুষ সমাজ উদ্যত হৈ পৰিল। নাৰীক সুৰক্ষা দিয়াৰ আপাহতে আৰু সমাজৰ আইন শৃংখলা ৰক্ষাৰ মানসেৰে অভিজ্ঞ লোকসকলে আৰু শাস্ত্ৰকাৰসকলে বাল্যবিবাহ, বিধৱাৰ আজীৱন ব্ৰহ্মচৰ্য, সতীদাহ প্রথা, পর্দা প্রথা আদিৰ প্ৰচলন আৰম্ভ কৰি সকলো দিশৰ পৰা নাৰীৰ স্বাধীনতা অৱদমিত কৰি ৰাখিলে। লগতে যৌতুক প্ৰথা, কন্যা সন্তান বধ আদিৰ দৰে কু-সংস্কাৰৰ সৃষ্টি কৰি পণ্য সামগ্ৰীৰ দৰে নাৰীৰ জীৱন দুৰ্দশাগ্ৰস্ত কৰি তোলা হ'ল। নাৰীক শিক্ষা আৰু সৱলীকৰণৰ প্ৰক্ৰিয়াটোৰ পৰা আঁতৰাই ৰাখি পুৰুষতন্ত্ৰবাদে নিজৰ বিশ্বাসবোৰ ক্ৰমাৎ আনুষ্ঠানিক কৰি তোলে। শৈক্ষিক আৰু সামাজিকভাৱে পিছপৰা নাৰীয়ে এই আনুষ্ঠানিকতাবোৰ মানি লবলৈ বাধ্য হৈ পৰে। এনে পৰিস্থিতিত পুৰুষতন্ত্ৰবাদে নিৰ্ধাৰণ কৰা নীতি-নিয়মক উলংঘা কৰিলেই নাৰীসকল সমাজ, পৰিয়াল, আনকি নাৰীৰো ৰোষত পৰিব লগাত পৰে।

নাৰী আৰু পুৰুষৰ মাজত থকা দৈহিক ব্যৱধানৰ বাবেও কিছুমান কাম কেৱল পুৰুষ আৰু কিছুমান কাম

Created by Universal Document Converter

কেৱল নাৰীৰ বাবে বুলি বিবেচিত হ'ল। নাৰীৰ দৈহিক গঠনৰ বাবেই কিছুমান কামৰ পৰা নাৰীক অব্যাহতি দি চাৰি বেৰৰ মাজত আৱদ্ধ ৰখা হৈছিল। আৰু সেই সময়ৰ পৰাই নাৰীৰ সামাজিক স্থানৰ অৱনতি ঘটিল বুলি শাস্ত্ৰৰ বৰ্ণনাত স্পষ্ট ভাৱে পোৱা যায়। ( Jain(ed) , 1976 , p.5-16 ) প্ৰাচীন ভাৰতৰ অন্যতম স্মৃতি শাস্ত্ৰ *মনু সংহিতা*ৰ পৰাও ভাৰতীয় সমাজত নাৰীৰ শোচনীয় অৱস্থাৰ কথা উপলব্ধি কৰিব পৰা যায়। নাৰীৰ স্বাধীনতা সম্পৰ্কে *মনু সংহিতাত* কোৱা হৈছে—

পিতা ৰক্ষতি কৌমাৰে ভৰ্তা ৰক্ষতি যৌৱনে

ৰক্ষন্তি স্থৱিৰে পুত্ৰ ন- স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।

( অৰ্থাৎ, নাৰী বাল্যকালত পিতৃৰ যৌৱন কালত স্বামীৰ আৰু বৃদ্ধ অৱস্থাত পুত্ৰৰ অধীন)।

(as.vikaspedia.in / social-welfare/Durbal Gut ; on 22/9/16 ; www.hinduonline.com/ vedicreserve/smriti/14 Manu Smriti pdf on 22/9/16) ; (বৰুৱা (অনু), ২০০৩, পৃঃ ২৩৬)

অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন চৰ্য্যাপদত শৰৱী বালিকা , ডোম্বী বালিকা আদি সমাজৰ নিম্ন স্তৰৰ নাৰীৰ শৃংগাৰ, প্ৰেম আদিৰ কাহিনীৰ বৰ্ণনাৰ পৰা সেই সময়ৰ নাৰীৰ মৰ্যাদাৰ এটি চকামকা চিত্ৰ অনুমান কৰিব পৰা যায়। সেইদৰে বিভিন্ন চৰ্য্যাত বৰ্ণিত নানা স্তৰৰ ননদ-বৌয়েক, ভিনিহি-খুলশালী আদিৰ সম্পৰ্কৰ উল্লেখে সমাজত অভিজাত পৰিয়ালৰ নাৰী গৃহ কৰ্মত আৰু সমাজৰ নিম্ন স্তৰৰ নাৰী অৰ্থ উপাৰ্জনত ব্ৰতী থকাৰ আভাস পোৱা যায়। (হাজৰিকা, ১৯৮৭, পৃঃ ১২৪,১৭০,১৮৪) পদ্মনাথ গোহাঞিঃ বৰুৱা ৰচিত *অসমৰ বুৰঞ্জীত* আহোম যুগৰ নাৰীৰ স্থান সম্পৰ্কে এনেদৰে উল্লেখ আছে—

আহোমসকলে সিবিলাকৰ ব্ৰহ্মী পিতৃ পুৰুষসকলৰ দৰে তিৰোতাসকলক বৰ সন্মান কৰিছিল। এতিয়াৰ দৰে আগৰ দিনত সিবিলাকৰ পৰ্দা বা আৰ প্ৰথাৰ প্ৰচলন নাছিল। ৰাজমাওসকলেও সততে মন্ত্ৰীসকলৰ সৈতে ৰাজকীয় বিষয়ক আলোচনাৰ ভাগ লৈছিল। অনেক ৰাজকাৰ্যত কুৱঁৰীসকলৰ ক্ষমতা চলাৰ উদাহৰণ আছে।

Created by Universal Document Converter

তেনেকুৱা কেইবাগৰাকীও কুৱঁৰীয়ে ৰজাৰ অবৰ্তমানত ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰিছিল। আহোম ৰমনীসকল বৰ তেজীমনা, বুদ্ধিমতী আৰু চৰিত্ৰৱতী আছিল। (গোহাঞিঃ বৰুৱা, ১৯৭৬, পৃঃ ১১৮-১১৯)

আহোম ৰাজপাটৰ হিতাৰ্থে আত্মত্যাগ কৰি মহীয়ান হোৱা নাৰীসকল ক্ৰমে জয়মতীকুৱঁৰী, মোগল পৰিয়ালৰ পুত্ৰবধূ তথা জয়ধ্বজসিংহৰ জীয়ৰী ৰমণী গাভৰু, ৰাতিৰ ভিতৰতে কৰচ-কাপোৰ বৈ স্বামীক যুদ্ধৰ বাবে প্ৰস্তুত কৰা আৰু স্বামী ৰণত পৰাৰ পিচত নিজে যুদ্ধত অৱতীৰ্ণ হৈ আত্মবলিদান দিয়া আহোম সেনাপতি ফ্ৰাচেনমুং বৰগোহাইৰ পত্নী মূলাগাভৰু আদি সমাজৰ দৃষ্টিত আজি পৰ্যন্ত সাহসী গাভৰুৰ উদাহৰণ হৈ বুৰঞ্জীৰ পাতত জিলিকি আছে। (বৰুৱা আৰু গগৈ বৰগোহাঁই, ২০০২, পৃঃ ৫১-৬১)

মধ্যযুগীয় অসমীয়া নাৰীসকল স্বাধীনচিতীয়া আছিল। আৰ্য আৰু আৰ্যভিন্ন সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা সমাজখনত নাৰী মুকলিমূৰীয়া আছিল। সমাজত তেওঁলোকৰ স্থিতি সন্মানীয় আছিল। মিৰজুমলাৰ লগত অহা ইতিহাসবিদ চিহাবুদ্দিনে উজনি অসমৰ নাৰীয়ে ওৰণিৰে মুখ নাঢাকে বুলি মন্তব্য আগবঢ়াই থৈ গৈছে। অৰ্থাৎ পৰ্দা প্ৰথাৰ পৰা অসমীয়া নাৰী মুক্ত আছিল। সেই যুগত বিবাহৰ ক্ষেত্ৰতো নাৰীৰ মতামত লোৱা আৱশ্যকীয় আছিল। *কথা গুৰু চৰিতত* (পৃঃ ৩৮-৪০) শংকৰদেৱৰ অনুৰোধত শান্তি নামৰ কৈৱৰ্তকুলৰ এগৰাকী নাৰীৰ সতীত্ব গুণৰ বলত টেম্বুৰানী জানত বান্ধ দিবলৈ সক্ষম হোৱাৰ কাহিনীৰ বৰ্ণনা আছে। সেইদৰে ষোড়শ শতিকাত অসমত ৰচিত *যোগিনী তন্ত্ৰ*ই সতীদাহ প্ৰথা সমৰ্থন কৰিছিল যদিও ব্ৰাহ্মণ আৰু কায়স্থসকলৰ কিছু সংখ্যকৰ ক্ষেত্ৰতহে প্ৰযোজ্য আছিল। ব্ৰাহ্মণ আৰু কায়স্থসকলৰ বাহিৰে বাকী সকলো সম্প্ৰদায়ৰ মাজত বিধৱা বিবাহৰ প্ৰচলন আছিল। ( বৰুৱা আৰু গগৈ বৰগোহাঁই, ২০০২, পৃঃ ৬২-৬৭ ) লিখিত তথ্যৰ অভাৱৰ বাবে বৈদিক যুগৰ অসমীয়া নাৰীৰ সামাজিক স্থিতিৰ বিষয়ে সম্পূৰ্ণকৈ জনা নাযায় যদিও প্ৰাচীন অসমত সতীদাহ প্ৰথাৰ কোনো চিন চাবেই নাছিল বুলি প্ৰমাণিত হৈছে। নাৰীৰ স্থান সম্পৰ্কে সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই এনে মন্তব্য আগ বঢ়াইছে—

Created by Universal Document Converter

> But ,Assam was comparitively free from some of the evil practices of Sati, dowry, killing of female child, acute type of untouchability, kulinism etc, were practically non existent in ancient and medieval Assam ( Sharma, 1989, p.-343)

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভালেমান প্ৰদেশত মাতৃতান্ত্ৰিক প্ৰথা অনুসৰণ কৰি নাৰীজাতিক উচ্চ স্থানত স্থাপন কৰি অহা হৈছে। এতিয়াও উত্তৰপূৰ্বাঞ্চলৰ ভালেকেইখন ৰাজ্য আৰু অসমৰ দুই এক জনগোষ্ঠীৰ মাজত বিবাহৰ সময়ত কইনাপক্ষক দিবলগীয়া গা-ধন প্ৰথাই নাৰীৰ মৰ্যাদাক উচ্চস্থানত স্থাপন কৰিছে। জনজাতীয় কিছু সমাজত বিধৱা বিবাহ , নাৰীৰ অনুমতি সাপেক্ষেহে বিবাহৰ আয়োজন , পূৰ্ণ যৌৱন অৱস্থাপ্ৰাপ্ত হ'লেহে বিবাহ সম্পন্ন আদিৰ দৰে প্ৰথাই নাৰীৰ উচ্চ স্থানৰ আভাস দিছে। এসময়ত অৰুণাচলৰ জনজাতীয় সমাজত জোঁৱাই হ'বলগীয়া পুৰুষে কইনা ঘৰত 'গেবেৰি খাটি' কইনাপক্ষৰ পৰা বিয়াৰ অনুমতি লাভ কৰিছিল। প্ৰাক বৃটিছ সময়ৰ সমাজতো অসমীয়া নাৰীৰ জীৱিকাজনিত স্বাধীনতা আছিল। সেই সময়ৰ নাৰীৰ অৰ্থনৈতিক স্বাধীনতাৰ বিষয়ে গুণাভিৰাম বৰুৱাই এইদৰে মন্তব্য আগবঢ়াইছে—

> এই দেশৰ স্ত্ৰীসকল বড় উদ্‌যোগী (যথা) আৰু পৰিশ্ৰমী। পুৰুষে সহিতে প্ৰায় সমভাগে আৰ্জে আৰু গৃহ কাৰ্যত লিপ্ত থাকে। সেই হেতুকে অন্যান্য দেশতকৈ এই দেশীয় স্ত্ৰীসকল অপেক্ষাকৃত স্বাধীন। (বৰুৱা,১৯৭২,পৃঃ ২০৫)

ভাৰতবৰ্ষৰ লগতে অসমৰ মুছলমান সমাজতো নাৰীক পুৰুষতকৈ হীন বুলি ভবা হয়। পুৰুষ এজনে পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব লয় বাবেই মুছলমান নাৰীয়ে পুৰুষৰ ওচৰত শিৰ নত কৰি থাকিব লাগে বুলি মুছলমান সমাজে বিশ্বাস কৰে আৰু ধৰ্মেয়ো সেই কথাকে কয়। সেয়েহে স্ত্ৰীক অবাধ্য যেন অনুভৱ কৰিলে সেই স্ত্ৰীক প্ৰহাৰ কৰিবলৈ আৰু প্ৰয়োজনত বৰ্জন কৰিবলৈয়ো ধৰ্মত নিৰ্দেশ দিয়া আছে। *কোৰাণ ছৰিফত* নাৰীয়ে ব্যভিচাৰ কৰিলে আমৰণ শাস্তি দিয়াৰ নিৰ্দেশ আছে তাৰ বিপৰীতে পুৰুষে ব্যভিচাৰ কৰিলে যদি অনুতপ্ত হয় তেন্তে তেওঁৰ শাস্তি লাঘৱ হয়। (জওহৰ (অনু ) , ১৯৭৪, পৃ ঃ ৬৪ , ৩২) মুছলমান সমাজত প্ৰচলিত নাৰীৰ

Created by Universal Document Converter

পৰ্দা প্ৰথায়ো ধৰ্মীয় ৰক্ষণশীলতাকে সূচায়। অৱশ্যে বিবাহ অনুষ্ঠানৰ সময়ত কাজীয়ে মুছলমান কন্যাক বিয়াত সন্মতি আছে নে নাই সুধিহে বিবাহ সম্পন্ন কৰা কাৰ্যই নাৰীক সন্মান কৰা সূচায়। ওঠৰ -ঊনৈশ শতিকাৰ অসমীয়া সমাজতো পৰ্দা প্ৰথা আছিল। নাৰীৰ পুৰুষৰ দৰে মুকলি-মূৰীয়াকৈ ঘুৰা-ফুৰাৰ অধিকাৰ নাছিল। ওৰণি বা ডাঙৰ জাপিৰে গা মুখ ঢাকিহে নাৰীয়ে ওলোৱা সোমোৱা কৰিব পাৰিছিল। সূৰ্যৰ পোহৰকণৰ পৰাও নাৰী বঞ্চিত কৰি ৰখা হৈছিল । সেই সময়ৰ অসমৰ ওৰণি বা পৰ্দা প্ৰথা সম্পৰ্কে নলিনীবালা দেৱীয়ে এনেদৰে লিখিছে ,

> ডাঠ পৰ্দাৰ আৱৰণেৰে আবৰি থোৱা এন্ধাৰ দিন। আজিৰ দিনৰ দৰঙ্গ মাইকী মানুহবোৰে মুকলি মূৰীয়া হৈ ফুৰা আছিল অতি লাজৰ কথা। বিশেষকৈ ভদ্ৰ সমাজৰ ছোৱালী দহ-এঘাৰ বছৰৰ পৰা ঘৰৰ বাজ ওলাব নোৱাৰে। বোৱাৰী-জীয়ৰীৰ পৰা সকলো ভদ্ৰমহিলা ভয়ানক পৰ্দা প্ৰথাৰ আঁৰত ঘৰৰ চুকত দিন কটাবলগীয়া হৈছিল। ইফালে সিফালে যাবলগীয়া হ'লে দুটা ডাঙৰ বৰজাপিৰ মাজত সোমাই যাব লাগে; মুখত ওৰণিৰ আঁৰ লৈ। ঘোঁৰাৰ বাগীত গ'লে ঘোঁৰাৰ বাগীৰ দুৱাৰ বন্ধ কৰি যাব লাগে। মাইকী মানুহ আছিল সূৰ্য-চন্দ্ৰই দেখা নোপোৱা । ( দেৱী, ১৯৭৬, পৃ ঃ ১২)

এসময়ত ভক্তি আন্দোলন আৰু বৈষ্ণৱ সংস্কৃতিৰে অসমীয়া সমাজক একতাৰ ডোলেৰে বান্ধিবলৈ প্ৰয়াস কৰা শংকৰদেৱ আৰু মাধৱদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ ধৰ্মটো এক উদাৰ ধৰ্ম হিচাপে স্বীকৃত হ'লেও এই ধৰ্ময়ো কিন্তু নাৰীক পোনপটীয়াকৈ ধৰ্ম গ্ৰহণ কৰাৰ পৰা বিৰত ৰাখিলে। এতিয়ালৈকেও কিছুসংখ্যক সত্ৰই নাৰীৰ প্ৰৱেশত বাধা দি নাৰীৰ সন্মানক অৱনমিত কৰা দেখা যায়। মংগোলীয় সংস্কৃতি আৰু জনজাতীয় প্ৰভাৱৰ বাবে আৰ্য হিন্দুসকলৰ বহুতো কুপ্ৰথাৰ পৰা অসমীয়া সমাজ মুক্ত আছিল। অসমত সতীদাহ প্ৰথা আৰু যৌতুকপ্ৰথাৰ প্ৰচলন নাছিল আৰু বেশ্যাবৃত্তিও প্ৰায় নথকাৰ দৰেই। এই সন্দৰ্ভত ১৮৮৪ চনতেই গুণাভিৰাম বৰুৱাই লিখিছিল,

Created by Universal Document Converter

> অসম দেশৰ  কি স্ত্ৰী কি পুৰুষ উভয়কে, বিশেষকৈ স্ত্ৰীলোকক কু-ক্ৰিয়াসক্ত বুলি মানুহে অপবাদ দিয়ে। কিন্তু ভালকৈ অসম দেশৰ অৱস্থালৈ চালেই অপবাদৰ কোনো  মূল নাই। অতি অল্প দিনৰ পৰা নগৰত বেশ্যাবৃত্তিৰ সৃষ্টি হইছে। গ্ৰামত লোকে ইয়াক  নাজানে।            (বৰুৱা, ১৯৭২, পৃঃ ২০৩-২০৪)

বাল্য বিবাহৰ দৰে কু-প্ৰথাৰ প্ৰচলন প্ৰাচীন আৰ্য সমাজত প্ৰচলিত নাছিল। কিন্তু মনুৱে ৰচনা কৰা অনুশাসনত নাৰীৰ মৰ্যাদা শৃংখলিত কৰাৰ প্ৰয়াসেৰে নতুন ৰীতি প্ৰচলিত হয়। সেই অনুশাসন মতে “অষ্টম বৰ্ষে ভবেৎ গৌৰী দশম বৰ্ষেষু ৰোহিণী ” ।  মনুৰ অনুশাসন মানি কন্যাক আঠ বছৰ বয়সত বিয়া দি গৌৰীত্ব বা দহ বছৰ বয়সত বিয়া দি ৰোহিণীত্ব প্ৰদানৰ আশাৰে ভাৰতীয় সমাজৰ লগতে অসমীয়া সমাজতো কন্যা পুষ্পিতা হোৱাৰ আগতেই বিবাহ কাৰ্য সম্পন্ন কৰি পুণ্য অৰ্জন কৰাৰ ধাৰণাই মনত খোপনি পুতিছিল। সেই সময়ত সমগ্ৰ হিন্দু সমাজতেই বাল্য বিবাহে গা কৰি উঠা দেখা গৈছিল। কিন্তু পিছত ইংৰাজৰ ঔপনিৱেশিক শাসনৰ সময়ত পাশ্চাত্যৰ শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱত  ভাৰতলৈ অহা নৱ-জাগৰণৰ ফলত  ১৯৩০ চনত পাছ হোৱা চাৰ্দা বিল অনুসৰি  এই বাল্য বিবাহ প্ৰথা  আইনমতে দণ্ডনীয় হৈ পৰে। এই বিল মতে চৌদ্ধ বছৰৰ কম বয়সত ছোৱালীক বিয়া দিলে দৰা কন্যাৰ অভিভাৱকৰ লগতে পুৰোহিতে এহেজাৰ টকা জৰিমনা ভৰিব লাগিব , অন্যথা কাৰাবাস খাটিব লাগিব।  কুৰি শতিকাৰ তৃতীয় দশকৰ  এই আইনেই পিছলৈ নাৰীৰ বিবাহৰ উপযুক্ত বয়স ওঠৰ বছৰ বুলি স্বীকৃত হোৱাৰ পথ মুকলি কৰিছিল বুলি ভবাৰ থল আছে। পিছে চাৰ্দা বিল পাছ হোৱাৰ লগে লগে প্ৰাক-স্বাধীনতাযুগৰ ভাৰতবৰ্ষৰ লগতে গোটেই অসমজুৰি এক বিতৰ্কমূলক পৰিস্থিতিৰ সৃষ্টি হৈছিল। নাবালিকাৰ অভিভাৱকসকলে ছোৱালীক ততাতৈয়াকৈ বিয়া দিবলৈ তৎপৰ হৈ পৰিছিল। এই সন্দৰ্ভত নলিনীবালা দেৱীয়েএইদৰে  লিখিছে ,

> এই বিলৰ প্ৰতিক্ৰিয়া হ’ল অভাৱনীয়। ব্ৰাহ্মণ আৰু কায়স্থকুল, ক্ষেত্ৰিয় (যথা) , বৈশ্য সকলোৰে  কুমাৰী কন্যা বিয়া দিয়াৰ ভাৰতজুৰি ধুম উঠিল। কোলাৰ কেচুঁৱা কন্যাও এই বিলৰ প্ৰকোপত বাদ নপৰিল। দহ-এঘাৰ বছৰীয়া কন্যাৰতো(যথা) কথাই  নাই। অসমতো কুমাৰী কন্যাৰ বিয়াৰ ধুম উঠিল। অৱশ্যে অসমত কোলাৰ কেঁচুৱা কন্যাৰ বিয়াৰ বাতৰি কাণত পৰা

Created by Universal Document Converter

নাই যদিও তিনি-চাৰি  বছৰীয়া কন্যাক পিতৃ-মাতৃয়ে ততাতৈয়াকৈ বিয়া দিছিল। ১৯২৯ চনৰ জানুৱাৰী মাহৰ আগতেই সৰ্ব ভাৰতৰ হিন্দু কুমাৰী কন্যাৰ বিয়া হৈ গৈছিল।...................................... নহ'লে যে বিয়াৰ আগতে কন্যা পুষ্পিতা হ'লে ৰৌ ৰৌ নৰকত পৰিব।........সেই বছৰটো ভাৰতবৰ্ষৰ স্মৰণীয় বছৰ, 'কন্যামেধ যজ্ঞ' বুলিলেও অত্যুক্তি কৰা নহয়।

(দেৱী , ১৯৭৬, পৃ ঃ ২১২)

আনকি অসমৰ এগৰাকী উল্লেখযোগ্য লেখিকা নিৰ্মলপ্ৰভা বৰদলৈয়ো এনে নিষ্ঠুৰ বাল্য বিবাহৰ বলি হ'ব লগীয়াত পৰিছিল। দিলীপ দত্তই তেওঁৰ *নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন-নদী* গ্ৰন্থত নিৰ্মলপ্ৰভাৰ জীৱন  সন্দৰ্ভত লিখিছে,

এই কিশোৰীক সমাজৰ এক নিৰ্মম নীতিৰ বশৱৰ্তী হৈয়েই এঘাৰ বছৰ নৌহওঁতেই বিয়া দিয়া হ'ল (১৩ ডিচেম্বৰ, ১৯৪৩)। তেৰ বছৰ বয়সতে তেওঁ এটি কন্যাৰ মাতৃ হ'ল। হিন্দু ধৰ্ম, হিন্দু দৰ্শন, হিন্দু সামাজিক বিধিৰ ভুল বুজাপৰা আৰু অপপ্ৰয়োগৰ অত্যাচাৰ নিৰ্মলপ্ৰভাৰ ওপৰত পূৰাদমে চলালে — মত বিৰোধৰ  কাৰণে দুখন ঘৰৰ মাজত মনোমালিন্য ঘটিল। তেৰ বছৰ বয়সতে কোলাত এটি শিশু কন্যা লৈ নিৰ্মলপ্ৰভা চিৰদিনৰ কাৰণেই  স্বামীৰ পৰা আঁতৰ হ'ল।     (দত্ত, ১৯৮৫, পৃ ঃ ৪৬)

ঊনৈশ শতিকাৰ মাজভাগতো স্ত্ৰী-শিক্ষা বা স্ত্ৰী স্বাধীনতাই অসমত  সমাদৰ  নাপাইছিল। স্ত্ৰী-শিক্ষা আৰু স্বাধীনতাই সমাজলৈ ব্যভিচাৰ আনিব, নাৰীয়ে পুৰুষক সন্মান নকৰিব বুলি সেই সময়ৰ সমাজৰ এচামে বিশ্বাস কৰিছিল। আনকি কেতিয়াবা বৌদ্ধিক মহলতো এই বিষয়ে চিন্তা-চৰ্চা চলিছিল। লম্বোদৰ বৰাৰ (১৮৬০-১৮৯২) দৰে লেখত লবলগীয়া লেখকৰ  ব্যংগ ৰচনাত তাৰ প্ৰমাণ পোৱা যায়। স্ত্ৰী-শিক্ষা আৰু স্বাধীনতাৰ পৰিপন্থী মনোভাৱেৰে লম্বোদৰ বৰাই ব্যংগ ৰচনা লিখিছিল,

'স্ত্ৰী-শিক্ষা' চিঠি লিখিবলৈ শিকা। নাটক নভেলৰ পৰা মূৰ নদংগা, বোৱা-কটা, ৰন্ধা-বঢ়া আদি গৃহস্থালীৰ কাম পাহৰা, শৰীৰ দুৰ্বল অকামিলা আৰু হাড় ছাল শেষ কৰা, মন চঞ্চল, অসৎ আৰু কঠিন কৰা, দৰা

Created by Universal Document Converter

> এংগাবলৈ শিকা, তিৰোতাৰ উচিত কামবোৰ পাহৰা, তিৰোতাক মতা কৰা, ফুলক বজ্র কৰা, সৰোবৰক মৰুভূমি কৰা। ..........................................................................................................
>
> 'স্ত্রী-স্বাধীনতা'— তিৰোতাই কেইতা (যথা) স্বামী এৰা বা স্বামী গ্রহণ কৰা, অকলে অকলে ফুলনিত বতাহ ল'বলৈ যোৱা, শিক্ষিত পুৰুষ বন্ধুক দেখা কৰা, পুৰুষে গৃহস্থালী চপোৱা, শাহু-শহুৰক ঘৰৰ পৰা খেদোৱা বা খাবলৈ নিদিয়া, গিৰিয়েকৰ দ্বাৰাই ৰন্ধা বঢ়া আদি সকলো কাম চলোৱা, তিৰোতাক মুকলি কৰা বা পুৰুষ হাতীৰ ওপৰত মাউত পতা। (তালুকদাৰ (সম্পা) , ১৯৮৩, পৃ ঃ ৬২)

লম্বোদৰ বৰাৰ দৰে প্ৰাচীনপন্থী লিখকে স্ত্রী-শিক্ষা আৰু স্বাধীনতাৰ বিৰোধিতা কৰিলেও হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ দৰে লেখকে সম্পূর্ণ আধুনিক দৃষ্টি-ভংগীৰে নাৰীক পর্যবেক্ষণ কৰিছিল আৰু প্রগতিশীল চিন্তাৰে তেওঁলোকক আগুৱাই নিবলৈ প্রয়াস কৰিছিল। বংগৰ নৱজাগৰণৰ প্রভাৱেৰে পুষ্ট হৈ তেওঁলোকে নাৰীক ইংৰাজী শিক্ষা দিয়া , বিধবা বিবাহৰ প্রচলন কৰা আদি কার্যৰ বাবে সামাজিক দায়বদ্ধতা স্বীকাৰ কৰিছিল। ইতিমধ্যে আলোচনা কৰা হৈছে যে গুণাভিৰাম বৰুৱাই অসমৰ নাৰীৰ সামাজিক স্থানৰ ওপৰত *অসম বুৰঞ্জীত* কিছু মতামত দাঙি ধৰিছে। তেওঁ উক্ত গ্রন্থত অসমীয়া নাৰীৰ বিবাহ আৰু বিধবা বিবাহ সম্পর্কত লিখা তুলনামূলক লিখনীসমূহ তেতিয়াৰ অসমীয়া সমাজত নাৰীৰ স্থানৰ দলিল স্বৰূপ বুলিব পাৰি। তেওঁ লিখিছিল,

> অসম দেশৰ বিবাহ প্রণালী অন্যান্য দেশতকৈ কিঞ্চিত বিভিন্ন দেখি। ব্রাহ্মণ আৰু কোনো কোনো শূদ্রৰ মাঝত(যথা) মনু প্রণীত ব্রাহ্ম বিবাহ অর্থাৎ কুমাৰী কালতে বৰক আহ্বান কৰি কন্যাদানৰ নিয়ম প্রচলিত। আন জাতিৰ মাঝত ই বিবাহ বৰকৈ নচলে। .......সাধাৰণতঃ বিধবা বিবাহ ব্রাহ্মণ ভিন্ন সকলো জাতিতে প্রচলিত আছে। এই দেশত প্রাচীন গন্ধর্ব বিবাহ সদৃশ এক প্রকাৰ বিবাহ পদ্ধতি হিন্দু সমাজৰ শূদ্রাদিৰ মাজত প্রচলিত। কোনো প্রাপ্ত বয়স্কা কুমাৰী বা বিধবাক তেওঁৰ পিতৃ-মাতৃ বা অন্য অভিভাৱকৰ সন্মতি অনুসাৰে অলঙ্কাৰাদি পিন্ধাই যথাযোগ্যৰূপে সামাজিক লোকসকলক আহাৰ কৰোৱাই আপোন ঘৰলৈ আনে। ............................................
>
> কোনো কোনো সময়ত পুৰুষ আৰু স্ত্রীৰ একপ্রকাৰ সয়ম্বৰ বিবাহ হোৱাৰো নিয়ম দৃষ্ট হয়। (বৰুৱা, ১৯৭২, পৃ ঃ ২০০)

Created by Universal Document Converter

স্বয়ং গুণাভিৰাম বৰুৱাই পৰিয়ালবৰ্গ আৰু আত্ম-স্বজনৰ মতৰ বিপৰীতে গৈ আৰু অনেক বিতৰ্কৰ সন্মুখীন হৈয়ো বিধবা বিবাহ কৰিছিল। বিধবা বিবাহৰ সমৰ্থনত হেমচন্দ্ৰ বৰুৱায়ো লিখিছিল,

> শাস্ত্ৰ নেলাগে যুক্তিলৈ চালেই বিধবা বিয়াত যে কোনো দোষ নাই তাক বুজিব পাৰি। ..... এতিয়া চাওঁহকচোন মতা-তিৰোতা দুটা সমান জীৱ, ভোক, পিয়াহ, টোপনি, বোধ, ইচ্ছা, অংগ-প্ৰত্যংগ, জন্ম, মৰণ দুইৰো সমান। তথাপি এটাৰ যি স্বত্ব আছে আনটোৰ সি নাই বোলা কথাটো কিমান অন্যায়, ইয়াক যাৰ অলপমান জ্ঞান আছে, সিও বুজিব পাৰে। ঈশ্বৰৰ বা স্বভাৱৰ নিয়মমতে বিধৱাৰ বিয়া নিষিদ্ধ হোৱা হ'লে স্বামীৰ মৃত্যুৰ পাছত তিৰোতাৰ মনৰ পৰা সহবাসৰ বাঞ্ছা গুচি গ'লহেঁতেন , কিন্তু সকলোৱেই জানে , তেনে কেতিয়াও নহয়।
>
> (নেওগ(সম্পা, ১৯৮৭, পৃঃ ৩)

সমাজখন সাধাৰণতে পুৰুষ তান্ত্ৰিক যদিও জীৱনৰ প্ৰতিটো স্তৰত নাৰীৰ সংগ পুৰুষসকলৰ পদে পদে কাম্য। সেয়েহে নাৰীবাদৰ মৌলিক ধাৰণাটোক এসময়ত বিশ্বব্যাপী পুৰুষ মহিলা সমন্বিতে বহুত সংখ্যকলোকে সাদৰে গ্ৰহণ কৰিছিল। এই ধাৰণাৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বতে নাৰীবাদনো কি সেই বিষয়ে উনুকিয়াই থোৱাটো প্ৰয়োজনীয়। নাৰীবাদৰ অধ্যয়নত তিনিপ্ৰকাৰ নাৰীবাদৰ বিষয়ে আলোচনা দেখা যায়। তাৰে ভিতৰত নাৰীকো পুৰুষৰ দৰেই মানুহ হিচাপে জ্ঞান কৰি নাৰীৰ ব্যক্তি-স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়া শ্ৰেণীৰ নাৰীবাদক ব্যক্তিবাদী নাৰীবাদ (individualist feminism) বুলি জনা যায়। মানুহে সমাজ পাতি এটি পৰিয়াল গঠন কৰি থাকিবলৈ লোৱাৰ পিছত ব্যক্তিগত সম্পত্তিৰ প্ৰথা প্ৰচলন হ'ল আৰু ইয়েই নাৰীৰ স্বাধীনতা খৰ্ব কৰি নাৰীকো পুৰুষৰ ব্যক্তিগত সম্পত্তিস্বৰূপ কৰি তুলিলে। সমাজবাদী চিন্তাৰ মতে ৰাষ্ট্ৰত পৰিয়ালৰ ব্যক্তিগত সম্পত্তিৰ স্থান নাই। গতিকে সমাজবাদী নাৰীবাদ (socialist feminism) ৰ ধাৰণামতে অন্যান্য ব্যক্তিগত সম্পত্তিৰ দৰেই সমাজত নাৰী পুৰুষৰ ব্যক্তিগত সম্পত্তি নহয়। সমাজবাদত পুৰুষ-স্ত্ৰীৰ বিবাহিত জীৱন মাথোঁ প্ৰেমৰ ডোলেৰে বন্ধা আৰু সংগৰ প্ৰয়োজনীয়তাত গঢ়া। ল'ৰা ছোৱালীও তাত ৰাষ্ট্ৰৰেই দায়িত্বত। গতিকে সমাজবাদী নাৰীবাদত নাৰীৰ স্বাধীনতাও স্বতঃস্ফূৰ্ত আৰু এই স্বাধীনতা পুৰুষৰ দৰেই সমাজমুখী। মৌল নাৰীবাদ (radi-

Created by Universal Document Converter

cal faminism) ৰ ধাৰণা মতে নাৰীয়ে পুৰুষৰ বিবাহপাশত আবদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া। পুৰুষৰ লগত একেখন ঘৰতে শাৰীৰিক সম্পৰ্ক ৰক্ষা কৰি বসবাস কৰিলেও পুৰুষক পতি বা স্বামী হিচাপে গ্ৰহণ কৰিবলৈ তেওঁলোক ইচ্ছুক নহয়। তেওঁলোকৰ মতে ধৰ্মীয় বা সামাজিক প্ৰথাৰ বিবাহে নাৰীৰ স্বাধীনতা খৰ্ব কৰে। (ভৰালী আৰু কলিতা (সম্পা) , ২০১১ , পৃ ঃ ১৬,১৭,১৮)

নাৰীবাদীসকলে মত পোষণ কৰা অনুযায়ী পুৰুষ নাৰীৰ সমানাধিকাৰ স্বীকাৰ কৰিবলৈ হ'লে নাৰী আৰু পুৰুষৰ মাজত মানসিক বা শাৰীৰিক প্ৰভেদক অগ্ৰাহ্য কৰিব লাগে আৰু তেওঁলোকক মাথোঁ মানৱীয় গুণসম্পন্ন ব্যক্তি হিচাপে গ্ৰহণ কৰিব লাগে। *ফেমিনিজম্* গ্ৰন্থৰ গ্ৰন্থকাৰ জন্ চাৰ্ভেৰ মতে নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাৱেই নাৰীবাদ আৰু মূল্য বা গুৰুত্বৰ পিনৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই। (Charvet, 1982, p.1) অৱশ্যে নাৰীবাদৰ ধাৰণাৰ প্ৰথম উদ্ৰেক হয় ইংৰাজ দাৰ্শনিক জন ল'ক্ (John Locke) ৰ ৰচনা *Second Treatise of Government* (1689) ৰ গ্ৰন্থত । এই গ্ৰন্থত নাৰীক পুৰুষৰ সৈতে সমান মৰ্যাদা দান কৰি পুৰুষৰ জীৱনত তেওঁলোকৰ স্থানৰ গুৰুত্ব দেখুৱা হয়। এয়েই আছিল ব্যক্তিবাদী নাৰীবাদৰ সূত্ৰপাত। ব্যক্তিবাদী নাৰীবাদৰ মতে সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত সকলো ব্যক্তিৰে সমান অধিকাৰ আছে। ইংলণ্ডত জন্ম গ্ৰহণ কৰা দাৰ্শনিক ল'কৰ মতে প্ৰকৃতিৰ ৰাজ্য প্ৰকৃতিৰ নিয়মমতেই চলে। সেয়েহে ল'কে সামাজিক সংগঠন আৰু ৰাষ্ট্ৰযন্ত্ৰক অস্বীকাৰ কৰিছে । ল'কে কৈছে যে , প্ৰকৃতিৰ নিয়মমতে এই ৰাজ্যৰ প্ৰতিজন অধিবাসীয়ে নিজৰ ইচ্ছা অনুযায়ী ঘৰত বা সমাজত অধিকাৰ সাব্যস্ত কৰাৰ যুক্তি আছে আৰু তাত অন্যই হস্তক্ষেপ কৰাটো অনুচিত। বিচাৰ-বুদ্ধি সম্পন্ন ব্যক্তিয়ে প্ৰকৃতিৰ এই যুক্তিসিদ্ধ আইন মানি চলে। আৰু ইয়েই জীৱক স্বয়ংসম্পূৰ্ণ স্বাধীন সত্তালৈ পৰিৱৰ্তিত কৰে। পিছে ল'কৰ এই চিন্তাধাৰাই ইংলণ্ডত এক জোকাৰণিৰ সৃষ্টি কৰিছিল। নাৰীক স্বাধীনসত্তা বুলি স্বীকৃতি দিয়াসকলে সমাজত নাৰীৰ স্থান পুৰুষৰ সৈতে সমান বুলি মানি ল'লেও বিবাহিতা নাৰী পুৰুষৰ অনুগতা হ'বই লাগিব তেহে স্বামী-স্ত্ৰীৰ মাজত প্ৰেমৰ সম্পৰ্ক থাকিব বুলি এই সিদ্ধান্ততেই এচাম স্থিৰ হৈ থাকিল। কিন্তু ল'কৰ মতে স্বামীৰ প্ৰতি নাৰীৰ আনুগত্যৰ মূল কাৰণ হ'ল প্ৰকৃতিগত। এই ক্ষেত্ৰত নাৰীৰ ব্যক্তিসত্তাৰ ধাৰণাটো প্ৰযোজ্য নহয়। যদি প্ৰকৃতিগত কাৰণতেই

Created by Universal Document Converter

হওক নাৰীয়ে স্বামীৰ দাসত্ব স্বীকাৰ কৰে তেন্তে পুৰুষ নাৰীৰ সমানাধিকাৰৰ কোনো মূল্যই নাথাকে।

(Charvet, 1982 , p. 8 , 11)

ল'কৰ প্ৰায় এশবছৰ পিছত ফ্ৰান্সত কঁডৰ্চে (Condorcet) নামৰ চিন্তাবিদজনে *Admission of Women to Full Citizenship* নামৰ গ্ৰন্থত নাৰীও যে পুৰুষৰ দৰেই নাগৰিক আৰু তেওঁলোককো নাগৰিকৰ পূৰ্ণ স্বাধীনতা দিব লাগে তাৰ ধাৰণা প্ৰচাৰ কৰিছিল। কঁডৰ্চেৰ পিছতেই নাৰীবাদক লৈ গভীৰ মতবাদ প্ৰকাশ কৰা ব্যক্তিজন হ'ল ৰুছো( Russeau) । ৰুছোৱে ব্যক্তিৰ ওপৰত ব্যক্তিৰ নিৰ্ভৰশীলতাক অস্বীকাৰ কৰিছিল আৰু মানুহৰ আত্মাক বিকাশৰ পথেৰে আগুৱাই নিবলৈ ব্যক্তিসত্তাৰ পূৰ্ণ স্বাধীনতা বিচাৰিছিল। ৰুছোৰ মতে সমাজত ব্যক্তিৰ মাজত থকা অসমতাৰ কাৰণ হ'ল অৰ্থনৈতিক অসমতা। ৰুছো বন্ধুত্বমূলক বিবাহৰ সমৰ্থক আছিল আৰু উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ নাৰীয়ে যাতে পুৰুষৰ উপযুক্ত সংগিনী হ'ব পাৰে তাৰ বাবে গুৰুত্ব দিছিল। কাৰণ শিক্ষাইহে এগৰাকী নাৰীৰ বুদ্ধিমত্তাক বিকশিত কৰি পুৰুষৰ সমান জ্ঞানেৰে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে। প্ৰয়োজনত এগৰাকী শিক্ষিত নাৰীয়ে এজন পুৰুষৰ সৈতে সমানে চিন্তাকৰ্ষক আলোচনাত ভাগ লৈ পুৰুষক আনন্দিত কৰাত ৰুছোৱে গুৰুত্ব দিছিল। ৰুছোৰ মতে প্ৰকৃতি ৰাজ্যত যদিও নাৰী আৰু পুৰুষৰ মাজত কোনো ভেদাভেদ নাই , তথাপিও জৈৱিক জীৱনত নাৰীয়ে পুৰুষক কিমান সন্তুষ্ট কৰিব পাৰিছে তাক ভিত্তি কৰিয়েই নাৰীৰ মূল্য নিৰ্ধাৰণ হয়। চমুকৈ কবলৈ হ'লে ৰুছোৱে সুখী দাম্পত্য জীৱন লাভৰ চিন্তাৰে নাৰী আৰু পুৰুষৰ মাজত এক প্ৰভেদৰহে সৃষ্টি কৰিলে যিয়ে নাৰীক দাসত্বৰ পথেৰেহে আগুৱাই লৈ গ'ল।

( Charvet, 1982 , p.13 )

কঁডৰ্চেই লিখা *Admission of Women to Full Citizenship* নামৰ গ্ৰন্থ প্ৰকাশৰ দুবছৰ পিছত চিন্তাবিদ গড্‌উইনৰ পত্নী আৰু বিপ্লৱী কবি শ্যেলীৰ শাহুৱেক মেৰী উলষ্টোনক্ৰাফ্‌টে তেওঁৰ নাৰীবাদী চিন্তাধাৰাৰ প্ৰকাশেৰে *A Vindication of the Rights of Women* ( 1792) নামৰ এখন গ্ৰন্থ ৰচনা কৰি সমগ্ৰ বিশ্বতে খলকনি তোলে। মেৰী উলষ্টোনক্ৰাফ্‌টৰ মতে নাৰীক পুৰুষে জ্ঞান কৰি অহাৰ দৰে নাৰী মাথো এক যৌন

Created by Universal Document Converter

সত্তাই নহয় বৰং নাৰীও মানৱ সত্তাহে। মানৱ সত্তা হিচাপে নাৰীও পুৰুষৰ দৰেই যুক্তিবাদী। নাৰীয়ে কেৱল আৱেগিক স্থানত স্থাপিত হ'বলৈ জন্মলাভ কৰা নাই আৰু নাৰীয়েও পুৰুষৰ দৰেই জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। ( ভৰালী আৰু কলিতা (সং) ২০১১, পৃঃ ১০,১১,১২) ।

অৰ্থনৈতিক দিশতো নাৰীয়ে স্বনিৰ্ভৰশীল হৈ পুৰুষৰ সমানেই দায়িত্ব মূৰ পাতি লোৱা উচিত বুলি উল্‌ষ্টোনক্ৰাফ্‌টে মন্তব্য দিছিল। উল্‌ষ্টোনক্ৰাফ্‌টে নাৰীৰ মানসিক বিকাশৰ উৎকৰ্ষ সাধনৰ বাবে শিক্ষা ব্যৱস্থা আৰু পৰিবেশক গুৰুত্ব দিছিল। তাৰ বাবে কিন্তু পুৰুষ আৰু নাৰীৰ বাবে সুকীয়া বিদ্যালয় বা শিক্ষাপদ্ধতি তেওঁ বিচৰা নাছিল। একেই পৰিবেশত একেই শিক্ষাৰে পুৰুষ আৰু নাৰী সমানে বৌদ্ধিক দিশত আগবাঢ়ি যাব লাগে বুলি উল্‌ষ্টোনক্ৰাফ্‌টে মত পোষণ কৰিছিল। (দেৱী, ২০০৭ , পৃঃ ১৭) ইংলণ্ডত জন্মগ্ৰহণ কৰা নাৰীবাদৰ আন এগৰাকী অতীন্দ্ৰিয়বাদী দৰ্শনৰ সমৰ্থক মাৰ্গাৰেট ফুলাৰে (১৮১০-১৮৫০) আকৌ নাৰী এগৰাকী জীৱ হিচাপে সৃষ্টি কৰ্তা ভগৱানৰহে অধীন, তাৰ বাহিৰে আন কাৰো অধীন নহয় বুলি যুক্তি আগবঢ়াইছিল। তেওঁৰ ১৮৪৫ চনত প্ৰকাশ হোৱা নাৰীবাদ সম্পৰ্কীয় গ্ৰন্থ *Women in the Nineteenth Century* অত স্বাধীনতা নাৰীৰ মৌলিক অধিকাৰ বুলি মত পোষণ কৰে। ফুলাৰে মত প্ৰকাশ কৰিছিল যে নাৰীও পুৰুষৰ দৰে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ সমান অংশীদাৰ। স্বাধীন সত্তা হিচাপে উপাৰ্জন , সম্পত্তি আদি সকলো ক্ষেত্ৰতে নাৰী আৰু পুৰুষৰ সমান অধিকাৰ হোৱা উচিত। ( Charvet, 1982 , p.27-28)

ঊনবিংশ শতিকাত জৰ্জ বাৰ্ণাড শ্ব, ইব্‌চেন আদিয়ে একোটা আদৰ্শ আগত ৰাখি তেওঁলোকৰ নাট্যৰাজিত প্ৰতিবাদী বা মুক্তিকামী নাৰীচৰিত্ৰৰ সৃষ্টিৰে নাৰীক পুৰুষৰ সমপৰ্যায়ত স্থান দিবলৈ প্ৰয়াস কৰিছিল । উল্লেখিত শতিকাৰ আন এজন ব্যক্তিবাদী নাৰীবাদী দাৰ্শনিক জন্ ষ্টুৱাৰ্ট মিলে ( John Stuwart Mill ) ( ১৮০৬-১৮৭৩) বিশ্লেষণ কৰি চাই অনুভৱ কৰিছিল যে নাৰী পুৰুষৰ দ্বাৰা শোষিত আৰু লাঞ্ছিত হোৱাৰ বাবেই সংসাৰত সুখে এক সুস্থিৰ অৱস্থা লাভ কৰা নাই। সেয়েহে তেওঁ নাৰীমুক্তিৰ প্ৰয়োজনীয়তা পদে পদে উপলব্ধি কৰিছিল। মিলৰ মতে পুৰুষসকলে নাৰীক সদায় এগৰাকী পুৰুষক সন্তুষ্টি দিয়া , সন্তান উৎপাদনআৰু লালন পালন কৰা,

Created by Universal Document Converter

ঘৰুৱা কাম কাজৰ মাজতে নিজকে আবদ্ধ কৰি ৰখা অবলা নাৰীৰ ৰূপত প্ৰত্যক্ষ কৰিব বিচাৰে আৰু সেয়েহে এয়া নাৰীৰ পবিত্ৰ কৰ্তব্য বুলি যুগ যুগ ধৰি প্ৰচাৰ কৰি নাৰীক শোষণ কৰি আহিছে। সেয়েহে নাৰীৰ ভিতৰত সুপ্ত অৱস্থাত থকা প্ৰতিভাসমূহক জাগ্ৰত কৰি নাৰীৰ আত্মবিশ্বাস উভটাই আনি নাৰীৰ মানৱসত্তাক পুৰুষৰ সমকক্ষ কৰি তুলিব লাগে। অৱশ্যে মিলে স্পষ্ট ভাৱে কৈছিল যে নাৰীয়ে সমতা লাভ কৰিলেও পৰম্পৰাগত ভাৱেই পত্নী আৰু নাৰীৰ দায়িত্ব পালন কৰিব লাগিব। (দেৱী, ২০০৭ , পৃঃ ২১-২৪) মিলৰ নাৰীবাদী প্ৰবক্তা পত্নী হেৰিয়ট টেইলৰেও ( Harriet Taylor) তেওঁৰ নাৰীবাদ সম্পৰ্কীয় প্ৰবন্ধ 'The Enfranchisement of Women' শীৰ্ষক প্ৰবন্ধত নাৰীৰ বাবে ভোটাধিকাৰ দাবী কৰে। এই প্ৰবন্ধটো *Westminster Review* নামৰ আলোচনীত প্ৰকাশিত হৈছিল। ( Charvet, 1982 , p.34)

আন এগৰাকী মৌলবাদী নাৰীবাদী মহিলা চিন্তাবিদ চাইমন দি বিউভোৱাৰ (Simone de Beauvoir ) য়ে তেওঁৰ *The Second Sex* নামৰ গ্ৰন্থত মৌল নাৰীবাদী চিন্তা ধাৰাৰে এলানি প্ৰবন্ধ প্ৰকাশ কৰে। তেওঁৰ মতে নাৰী আৰু পুৰুষৰ যৌন প্ৰকৃতিৰ মাজত কোনো পাৰ্থক্য নাই। নাৰী আৰু পুৰুষ সম্পূৰ্ণ মুক্ত প্ৰাণী আৰু তেওঁলোকৰ সৃষ্টিশীলতাও সমান। অতীতৰে পৰা নাৰীয়ে সদায় নিজকে স্বাধীন কৰি তুলিবলৈ প্ৰকাশ্যে বা গোপনে আন্দোলন চলাই আহিছে কিন্তু পুৰুষতান্ত্ৰিকতাৰ কবলত পৰি নাৰীয়ে জয় লাভ কৰিবলৈ সক্ষম হোৱা নাই। নাৰীবাদৰ ধাৰণাৰ উদ্ৰেক হোৱাৰ পিছতো নাৰীয়ে যিখিনি অধিকাৰ লাভ কৰিছে সেয়াও পুৰুষসকলৰ অনুগ্ৰহতহে। নাৰীয়ে আনকি পুৰুষক বাদ দি স্বতন্ত্ৰ নাৰী সংগঠন গঢ়ি তোলাৰো ক্ষমতা অৰ্জন কৰা নাই। নাৰীয়ে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল সৃষ্টিৰ আদিৰে পৰা নাৰীয়ে লাভ কৰা জৈৱিক প্ৰকৃতি। এই জৈৱিক প্ৰকৃতিৰ বাবে নাৰীয়ে সন্তান উৎপাদন কৰিব লগা হোৱাত তেওঁলোকে নিজৰ ব্যক্তিসত্তাক বিসৰ্জন দি পুৰুষৰ ওচৰত আত্মসমৰ্পণ কৰিব লগাত পৰে। (Beauvoir , 2001, p. 21-49 ) বিউভোৱাৰৰ মতে মাতৃত্বই এগৰাকী মহিলাক জীৱনৰ অধিশ্বৰী কৰি তুলিব নোৱাৰে। অৱশ্যে মৌলনাৰীবাদীসকলে পুৰুষৰ সংগ সম্পূৰ্ণ বৰ্জনৰ কথাটোও অগ্ৰাহ্য কৰিছে। শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে পুৰুষক যেনেকৈ নাৰীৰ প্ৰয়োজন, নাৰীকো তেনেকৈ পুৰুষৰ প্ৰয়োজন বুলি মৌলনাৰীবাদীসকলে

Created by Universal Document Converter

স্বীকাৰ কৰিছে যদিও তেওঁলোকৰে আন এটা চামে পুৰুষৰ সংগ সম্পূৰ্ণ বৰ্জনীয় বুলিও মত পোষণ কৰিছে। এনে মতবাদী নাৰীয়ে পুৰুষৰ সংগ ত্যাগ কৰি নাৰীৰ লগতেই সংসাৰ গঢ়ি মনত শান্তি পায়। এনে ধাৰণাত বিশ্বাসী নাৰীবাদীসকলে নিজৰ অস্তিত্ব সাধাৰণ মৌলবাদী নাৰীবাদীসকলৰ পৰা পৃথক কৰিবলৈ এওঁলোকৰ দৰ্শনক লেজ্‌বিয়ানিজম্‌ বুলি ঘোষণা কৰিছে। অসমীয়াত লেজ্‌বিয়ানিজম্‌ৰ প্ৰতিশব্দৰূপে সমলিংগিনীবাদ শব্দটো ব্যৱহাৰ কৰা হয়।(শৰ্মা , ২০১১ , পৃঃ ১২) পৰৱৰ্তী সময়ত , বিংশ শতিকাৰ ভাৰ্জিনিয়া উল্‌ফ আদিৰ দৰে লেখিকাই লেখনিৰ মাজেদি নাৰীৰ মানৱীয় অধিকাৰ সাব্যস্ত কৰিবলৈ যত্নপৰ হৈছিল।

নাৰীবাদৰ সাৰ কথা অনুসৰি লিংগ বৈষম্যৰ ভিত্তিত পুৰুষ মহিলাক বিচাৰ কৰা অনুচিত যদিও তাৰ বিপৰীতে গৈ কাব্যকাৰসকলে নাৰী আৰু পুৰুষক সাধাৰণতে দুটি বেলেগ সত্তা বুলি জ্ঞান কৰি নান্দনিক দৃষ্টিত নাৰী শব্দৰ মাজতেই মাধুৰ্য বিচাৰি উলিয়াইছে। ‘নাৰী কোনো যৌনসত্তা নহয় , তেওঁলোকৰ পৰিচয় এজন পুৰুষৰ দৰে একোগৰাকী ব্যক্তি হিচাপেহে ’ — এই ধাৰণাৰ পূৰ্ণ প্ৰতিফলন কিন্তু গীতি-সাহিত্যৰ জগতখনত দেখা নাযায়। তাৰ বিপৰীতে গীতিসাহিত্যত প্ৰায়েই নাৰীৰ ৰূপ বৰ্ণনাৰ লগতে নাৰীৰ লাস্যময়ী ৰূপটোকহে অধিক গুৰুত্ব দি অহা দেখা যায়। সমাজখনেও এনে দৃষ্টিকোণৰ ফালৰ পৰা নাৰীৰ ৰূপ আৰু চৰিত্ৰৰ প্ৰতি সদায় কৌতূহল দেখুৱাইছে আৰু আকৃষ্টও হৈছে। ইতিমধ্যে আলোচনা কৰা অনুসৰি পশ্চিমীয়া সাহিত্য আৰু ৰাজনীতিত নাৰীবাদ আৰু নাৰীৰ অধিকাৰ প্ৰসংগই প্ৰগাঢ় ভূমিকা লোৱাৰ অনুৰূপে ভাৰতীয় আৰু অসমীয়া সৃষ্টিশীল সাহিত্য (উপন্যাস, গল্প, কবিতা) আৰু সমালোচনা মূলক ৰচনাত কুৰি শতিকাৰ বিভিন্ন সময়ত ক্ৰমবৰ্ধমান গুৰুত্ব লাভ কৰিছে। কিন্তু গীতিসাহিত্যৰ বেলিকা নাৰীবাদী কণ্ঠ আৰু স্বৰৰ মাজত নিহিত প্ৰতিবাদীৰূপ বা নাৰীস্বাতন্ত্ৰ্যৰ দৃষ্টিকোণ সেই অনুপাতে প্ৰতিফলিত হোৱা নাই। অৱশ্যে অৰ্ধাকাশ নাৰীৰ জগতখনত নাৰীৰ স্বত্যন্ত্ৰ বিচৰণৰ মাজেদি প্ৰতিফলিত নানাৰঙী ৰূপটো বিভিন্ন ভাবে বিভিন্ন গীতিকাৰৰ ৰচনাত বৰ্ণিত হৈছে।

প্ৰাচীন ভাৰতত *মনু-সংহিতা* ই নাৰীক এক নিম্ন খাপৰ প্ৰাণী বুলি যি ধাৰণাৰ সৃষ্টি কৰিছিল সেয়া খণ্ডন কৰি আধুনিক গীতি-সাহিত্যই নাৰীক উচ্চ স্থানত স্থাপন কৰি মৰ্যাদাপূৰ্ণ দৃষ্টিৰেহে প্ৰকাশ কৰা যেন

Created by Universal Document Converter

অনুভৱ হয়। সামাজিক জীৱনত নাৰীয়ে বিভিন্ন ৰূপেৰে সাধাৰণতে পুৰুষসকলৰ জীৱন যাত্ৰাৰ পাথেয় হোৱা দেখা যায়। মাতৃ, ভগ্নী, কন্যা, প্ৰেয়সী, সহধৰ্মিনী, বান্ধৱী আদি বিভিন্ন ৰূপেৰে নাৰীয়ে পুৰুষসকলক সততে মোহিত কৰি ৰাখে। লিংগ বৈষম্যৰ পৰা আঁতৰি কাব্যত নাৰীক সাধাৰণতে উচ্চ স্থানতহে স্থাপন কৰা দেখা যায় যদিও কেতিয়াবা নাৰীৰ মহিমাময়ী, লাস্যময়ী ৰূপৰ লগতে ছলনাময়ী ৰূপটোৰো বৰ্ণনা কৰা হয়। এনে বিভিন্ন ৰূপৰ ভিতৰত মমতাৰ আঁকৰ ৰূপে মাতৃয়ে মনলৈ সাহস আনি দি জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে, ভগ্নীয়ে মনত ৰস আৰু বীৰত্বৰ সৃষ্টি কৰে, সহধৰ্মিনীয়ে প্ৰেৰণা যোগায়, কন্যাই কাৰুণ্যৰ সৃষ্টি কৰে, বান্ধৱীয়ে সুখ-দুখৰ ভাগ লয়, প্ৰেয়সীয়ে জীৱনত আনন্দৰ নিজৰা বোৱায়। সমাজ আৰু জীৱনত মাতৃ ৰূপিণী নাৰীৰ প্ৰাধান্যৰ কথাও সকলোৱে একমুখে স্বীকাৰ কৰি আহিছে। সেয়েহে ভাৰতবাসীয়ে ভাৰতবৰ্ষক ভাৰতমাতা বা দেশমাতৃকা বুলি শ্ৰদ্ধা কৰে। আমাৰ এই পৃথিৱীখনকো মাতৃ হিচাপেই বসুন্ধৰাৰ ৰূপত পূজা অৰ্চনা কৰা হয়। গীতিকাৰ ভূপেন হাজৰিকায়ো লিখিছিল, ‘ অ’ মোৰ ধৰিত্ৰী আই / চৰণতে দিবা ঠাই .... ’ বুলি। নাৰীৰ মহান গুণৰ বাবেই হয়তো ভাৰতৰ প্ৰধান নদীসমূহক নাৰী হিচাবে কল্পনা কৰি তাৰ নামকৰণ কৰা হৈছে। কাৰণ এনে নদীসমূহে মাতৃৰূপিণী বসুন্ধৰাক উৰ্বৰা শক্তি প্ৰদান কৰি শস্য-শ্যামলা কৰি তোলে। গংগা, গোদাবৰী, কাবেৰী, যমুনা, সৰস্বতী কৃষ্ণা আদি নাৰী নামধাৰিণী নদীৰ সফল উদাহৰণ।

পুৰুষৰ দৃষ্টিত নাৰীক দেখা যায় কেতিয়াবা মহীয়সী, কেতিয়াবা মমতাময়ী, কেতিয়াবা সুন্দৰী, কেতিয়াবা আকৌ ছলনাময়ীৰ ৰূপত। এনে বিভিন্নৰূপী নাৰীসমূহৰ পুৰুষৰ দ্বাৰা সৃষ্ট সাহিত্যৰ বিভিন্ন মাধ্যমৰ জৰিয়তে মূৰ্ত প্ৰকাশ ঘটে। ধৰ্ম-শাস্ত্ৰসমূহতো নাৰীৰ মাতৃ ৰূপটো সদায় উজ্জ্বল ৰূপত দেখিবলৈ পোৱা যায়। মমতাময়ী মাতৃ যশোদা, ন্যায়দায়িনী মাতৃ কুন্তী, বিদূষী মাতৃ অৰুন্ধতী , স্নেহশীলা মাতৃ সত্যৱতী আদিৰ লগতে কপটতাপূৰ্ণ ব্যক্তিত্বৰে সন্তান স্নেহত অন্ধ মাতৃ কৈকেয়ী আদি চৰিত্ৰই ধৰ্ম-শাস্ত্ৰসমূহক মহীয়ান কৰি তুলিছে। অতীতৰ পৰা বৰ্তমান যুগ পৰ্যন্ত ৰচিত অধিকাংশ দেশী-বিদেশী সাহিত্যত নাৰী চৰিত্ৰই প্ৰাধান্য পাই অহা দেখা যায়। নাৰী হ’ল প্ৰেমৰ প্ৰধান উপাদান। আধ্যাত্মিক প্ৰেম, পাৰ্থিৱ প্ৰেম বা যৌৱনৰ বাসনা সিক্ত দেহজ প্ৰেম, এই আটাইবোৰ নাৰীৰ সংস্পৰ্শত হে বিকশিত হয়। সেয়েহে সৌন্দৰ্যৰ প্ৰতীক ৰূপে গণ্য কৰি নাৰীৰ ৰূপৰ সন্মোহিত ব্যাখ্যা

Created by Universal Document Converter

বিভিন্নজনে বিভিন্ন সময়ত কৰি আহিছে। সাহিত্যিকসকলেও নাৰী অবিহনে নিজৰ সৃষ্টিক মৰুভূমি জ্ঞান কৰে। এনে অপৰূপা নাৰী শকুন্তলাৰ কাহিনীৰেই কালিদাসৰ অনবদ্য কাব্য *অভিজ্ঞানম শকুন্তলম* ৰ সৃষ্টি হৈছিল। একেজনা মহান কবি কালিদাসৰ আন এখন কাব্য *মেঘদূতত* কবিয়ে যক্ষৰ দূৰণিৰ প্ৰেয়সীৰ প্ৰতি থকা আকুল প্ৰেমক প্ৰেয়সীৰ ৰূপ বৰ্ণনাযুক্ত নিটোল শব্দ চয়ন আৰু সাৱলীল ছন্দেৰে ৰঞ্জিত কৰি তুলিবলৈ সমৰ্থ হৈছিল। শংকৰদেৱৰ *ৰুক্মিণীহৰণ কাব্য*খনিও ৰুক্মিণী, শশীপ্ৰভা, দৈৱকী আদি মহীয়সী নাৰী চৰিত্ৰৰ আবেগ অনুভূতিৰে মনোৰম। শংকৰদেৱৰ দ্বাৰা *ভাগৱতৰ* অষ্টম স্কন্ধ দ্বাদশ অধ্যায়ৰ অৱলম্বনত ৰচিত হৰমোহন আখ্যানতো আছে নাৰী ৰূপী বিষ্ণুৰ মোহনীয় দেহ-বল্লৰীৰ মূৰ্ত প্ৰকাশ।

তপ্ত সুৱৰ্ণৰ সম  জ্বলে দেহা নিৰূপম
ললিত-বলিত হাত পাৱ।
চক্ষু কমলৰ পাসি  মুখে মনোহৰ হাসি
সঘনে দৰশে কাম-ভাৱ ।।  ( গোস্বামী, ২০০৭, পৃঃ ১৩০)

এনেদৰে দৰে প্ৰাচীনৰ পৰা বৰ্তমানলৈ বিভিন্ন নাৰী কেন্দ্ৰিক গীত ৰচিত হৈ আহিছে। অসমীয়া গীতি সাহিত্যৰ ক্ষেত্ৰতো *চৰ্যাপদৰ* যুগৰ পৰা বৰ্তমান সময়লৈকে গীতিকাৰসকলে গীতত নাৰীক এক অভিনৱ ৰূপত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়। গীতিকাৰ ভূপেন হাজৰিকাও তাৰ ব্যতিক্ৰম নহয়। মাতৃ, ভগ্নী, মূৰ্ত আৰু বিমূৰ্ত প্ৰেমৰ মানস প্ৰতিমা, ছলনাময়ী আদি বিভিন্ন ৰূপত নাৰীয়ে ভূপেন হাজৰিকাৰ গীতত আত্মপ্ৰকাশ কৰা দেখা গৈছে। তলত কেইটিমান গীতৰ প্ৰথম শাৰীৰে সৈতে ভূপেন হাজৰিকাৰ গীতত ফুটি উঠা নাৰীৰ কেইটিমান ৰূপ উল্লেখ কৰা হ'ল—

(ক) অসম আমাৰ ৰূপহী গুণৰো নাই শেষ — মাতৃৰূপী জনমভূমি অসম

(খ) আমাৰে ভণ্টি শুব এ /সপোনৰ দেশলৈ যাব এ — ভগ্নীৰূপী নাৰী

Created by Universal Document Converter

(গ) তুমিয়ে মোৰ কল্পনাৰে হৰিণী নয়না — সুন্দৰী নাৰীৰ প্ৰেমিকা ৰূপ

(ঘ) কি যে তোমাৰ সংগ প্ৰিয়া, মিঠা তোমাৰ সংগ — যৌন আবেদনময়ী নাৰী

(ঙ) পৰহি পুৱাতে টুলুঙা নাৱতে ৰংমন মাছলৈ গ'ল — বিৰহিণী নাৰী

(চ) তুমি বিয়াৰ নিশাৰ শয়ন পাটীৰ এপাহি ৰজনীগন্ধা — উপেক্ষিতা নাৰী

(ছ) নেকান্দিবা নেকান্দিবা মোৰে নতুন কইনা — নৱ বিবাহিতা নাৰী

(জ) নতুন নাগিনী তুমি কাল নাগিনী — ছলনাময়ী নাৰী

( ঝ) দুয়ো মুখামুখি অতি সুখে সুখী / বাহিৰ বিশ্ব নিমাত — আধ্যাত্মিক প্ৰেমৰ নাৰী

এইখিনিতে পুৰুষৰ দৃষ্টিত নাৰীৰ চিত্ৰণৰ গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰত সাংস্কৃতিক ক্ষেত্ৰৰ 'Gaze Theory'ৰ দ্বিতীয়টো ধাৰণাৰ কথা উনুকিয়াব পাৰি। এই সূত্ৰ অনুসৰি যদি এখন নাৰী বিষয়ক কথাছবি বিভিন্নজন পুৰুষৰ আগত প্ৰদৰ্শন কৰা হয়, তেন্তে মানুহৰ মানসিকতা অনুযায়ী দৰ্শকসকলে নাৰী চৰিত্ৰক বেলেগ বেলেগ দৃষ্টিভংগীৰে গ্ৰহণ কৰে।

A specific theory of 'male gaze'was elaborated by Laura Mulvey in her extremely influential essay 'Visual pleasure and narrative cinema'(first published in *Screen* 16:3 Autumn 1975 and reprinted many times). Mulvey drew on Freud's concept of 'scopophilia ' ( a translation of Freud's German *Schulast)* to designate the PLEASURE of watching screen IMAGES and on Lacan's concept of the 'MIRROR PHASE'.The latter describes the moment when in the formation of ego a young baby sees it perfect, unified image in a mirror and thence forth experiences IDENTITY as always 'reflected back' ; its unity always desired rather than realized. Viewing images in a darkened cinema is linked to 'voyeuristic phantasy' and can be understood, Mulvey argues , as an expression both of 'active scopophilia' or the looking at an object separated from the self, and 'narcissism' or self-love, involving the the contrary movement of identi-

Created by Universal Document Converter

fication with a fuller, more perfect image presented on screen. (Brooker , 2003, p: 109)

'Male Gaze Theory'ৰ উদাহৰণ স্বৰূপে ভূপেন হাজৰিকাই নিৰ্মাণ কৰা ' শকুন্তলা ' কথা ছবিখন যদি কেইজনমান পুৰুষ দৰ্শকৰ আগত প্ৰদৰ্শন কৰা হয়, তেন্তে এজন দৰ্শকে যদি শকুন্তলাক কণ্ব মুনিৰ সুপুত্ৰীৰ ৰূপত প্ৰত্যক্ষ কৰিব, আন এজনে শকুন্তলাৰ আশ্ৰমৰ তৰু-লতিকা, জীৱ- বিহংগৰ মাতৃ সদৃশ ৰূপটোলৈহে ধ্যান দিব। সেইদৰে এজনক যেনেকৈ শকুন্তলাৰ প্ৰেমিকাৰ ৰূপটোৱে আকৃষ্ট কৰিব , আনজনৰ মনত শকুন্তলা এগৰাকী যৌনতাৰ প্ৰতীক স্বৰূপা নাৰী। এইদৰে কোনোবাজনৰ বাবে যদি শকুন্তলা লাস্যময়ী চপলা নাৰী , আনজনৰ বাবে শকুন্তলা পতি উপেক্ষিতা বিৰহিনী নাৰী। গতিকে নাৰীৰ বিভিন্ন ৰূপ বিভিন্ন জনৰ মানসিকতাৰ ওপৰতহে অধিক নিৰ্ভৰশীল। 'Male Gaze Theory' যদিও প্ৰধানকৈ কথাছবিৰ চিত্ৰণ আৰু প্ৰদৰ্শনৰ লগত জড়িত , গীতি-সাহিত্যৰ ক্ষেত্ৰতো কিন্তু এনে এক ধাৰণাই প্ৰযোজ্য হোৱা দেখা যায়। অৰ্থাৎ একেটি গীততেই কোনোবা পুৰুষে যদি যৌন আবেদন বিচাৰি পায়, কোনোবাই কিন্তু আধ্যাত্মিকতা হে অনুভৱ কৰে। উদাহৰণ স্বৰূপে ভূপেন হাজৰিকাৰ 'কাৰোবাৰ দুনয়ন সৰগৰ তৰা' *যেন* লাগে শীৰ্ষক গীতটিত কোনোবা পুৰুষ শ্ৰোতাৰ মনে যদি এগৰাকী সুন্দৰী নাৰীক বিচাৰি পায় , আন এজন শ্ৰোতাৰ মনত গীতটিৰ প্ৰথম অন্তৰাত থকা 'জোনৰ কামনাত জোনাক সৰিলে / ফুলৰ বাসনাত ভোমোৰা উৰিলে / মিলনৰ বাসনাত বুকু হুম হুম কৰে ' কথা খিনিয়ে যৌন শিহৰণ জগাই তুলিব পাৰে। এনে ক্ষেত্ৰত পুৰুষ ভেদে থকা বেলেগ বেলেগ মানসিকতাই ভিন্ন ৰুচিৰ সন্ধান দিয়ে।

এটি পুৰুষ আত্মাৰ আন এটি নাৰী আত্মাৰ প্ৰতি থকা দুৰ্বাৰ আকৰ্ষণক প্ৰেম বুলি কোৱা হয়। যি সম্পৰ্কত আধ্যাত্মিকতা ফুটি উঠে তাকে প্ৰকৃত প্ৰেম আখ্যা দিয়া হয়। আধ্যাত্মিকতাপূৰ্ণ প্ৰেমৰ বিষয়ে দিলীপ কুমাৰ দত্তই এনেদৰে মন্তব্য আগবঢ়াইছে,

যি ডেকা গাভৰুৰ সম্পৰ্কত এনে আধ্যাত্মিকতা ফুটি ওলাইছে তাকহে আমি প্ৰেম বুলি ধৰা উচিত। প্ৰেম দৈহিক

Created by Universal Document Converter

বা ইন্দ্ৰিয়াসক্তিতো প্ৰকাশ পোৱাটো স্বাভাৱিক। কিন্তু দৈহিক আৰু ইন্দ্ৰিয়াশক্তিৰ প্ৰকাশেই প্ৰেম হ'ব নোৱাৰে। আধ্যাত্মিকতাবিহীন আসক্তিক পশ্চিমীয়া সমাজতহে প্ৰেম বোলা হয়। (দত্ত, ২০১১, পৃঃ ১৫২)

অৰ্থাৎ এক পবিত্ৰ প্ৰেমৰ সূত্ৰপাত ঘটিবলৈ প্ৰেমিক প্ৰেমিকাৰ সম্পৰ্কত আধ্যাত্মিক চিন্তাধাৰাৰ উন্মেষ ঘটাতো অতিশয় প্ৰয়োজনীয়। ভূপেন হাজৰিকাৰ গীতত এনে বিমূৰ্ত প্ৰেমৰ ভালেমান উদাহৰণ পোৱা যায়। তেনেবোৰ গীতত শাৰীৰিক মিলনক অগ্ৰাহ্য কৰিও গীতিকাৰে প্ৰেমিকাৰ সান্নিধ্য লাভ কৰিছে। সেয়েহে 'আকাশী গংগা বিচৰা নাই' শীৰ্ষক গীতটিৰ মাজেৰে তেওঁ কৈছে,

নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰোঁ মৰমৰ মাত এষাৰ।

এই গীতটিত গীতিকাৰৰ কোনো পাৰ্থিৱ বস্তু বা প্ৰেমিকাৰ শৰীৰৰ প্ৰতি কোনো ধৰণৰ আসক্তি নাই। প্ৰেমিকাৰ এষাৰ মিঠা মাততেই গীতিকাৰে প্ৰেমৰ পূৰ্ণতা বিচাৰি পাইছে। সেইদৰে পাৰ্থিৱ শৰীৰ এৰি পৰলোকলৈ যাত্ৰা কৰাৰ মুহূৰ্ততো গীতিকাৰে প্ৰেমিকাৰ এটুপি চকুলোৰেহে তেওঁ যচা মৰমৰ দাম বিচাৰিছে আৰু সেই মৰমৰ মাজতেই সৰগী ধাম থকা বুলি উপলব্ধি কৰিছে। এই আলোচনাত ভূপেন হাজৰিকা ভালেমান কাব্যকাৰৰ মাজৰ এটি উদাহৰণহে মাত্ৰ। অসমীয়া সাহিত্যত এনে আধ্যাত্মিক প্ৰেমৰ অসংখ্য উদাহৰণ পোৱা যায়।

## ৪.২.০ অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণ

গীত হ'ল এখন সমাজ আৰু সংস্কৃতিৰ সুৰীয়া প্ৰকাশ। এটি ভাষাৰ গীতসমূহে এখন দাপোনৰ দৰে সমাজখনৰ চিত্ৰ আৰু স্বৰূপ প্ৰতিবিম্বিত কৰে। সাধাৰণতে নাৰী জাতিক এখন সমাজে সৰগৰ উপহাৰ বুলি

Created by Universal Document Converter

গণ্য কৰে। সেই বাবেই নাৰীৰ বৰ্ণনাই সমাজখনৰ লগত জড়িত ভাষাৰ গীতি সাহিত্যক অধিক মনোৰঞ্জক কৰি তোলে। ইয়াৰ প্ৰধান কাৰণ হ'ল পুৰুষতান্ত্ৰিক সমাজখনে সদায় নাৰীক প্ৰেৰণাৰ উৎস হিচাপে মানি আহিছে। ঘাত- প্ৰতিঘাতেৰে পূৰ্ণ জীৱন- মৰুক নাৰীয়ে স্বকীয় জীৱনী শক্তিৰ দৰে আশা আৰু মমতাৰ সহযোগত জীপাল কৰি তোলা দেখা যায়। নাৰীৰ বিভিন্ন ৰূপে এখন সমাজক সফল বা বিচলিত কৰে । সেয়েহে গীতি-সাহিত্যৰ সাহিত্যিকসকলৰ লিখনীৰ নাৰীকেন্দ্ৰিক গীতসমূহত নাৰীৰ বিভিন্ন ৰূপৰ প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। নাৰীৰ সৌন্দৰ্যই চিৰকালেই কাব্য আৰু গীতি-সাহিত্যক ৰস যোগাই আহিছে। নাৰীৰ " হালধি বৰণ যেন গা" ," বীণৰ নল যেন কঁকাল", " পাবলি পাবলি ভৰিৰ আঙুলি", " কেতেকীপহীয়া ভৰি"ৰ বৰ্ণনাৰে কাব্যসমূহ সুশোভিত হোৱা দেখা যায়। তেনেকৈ সভ্যতাৰ বতাহে মৌখিক সাহিত্যৰ যুগৰ পুৰণি গীতসমূহৰ সৃষ্টি আৰু স্মৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে যদিও অসমীয়া গীতি-সাহিত্য লোকগীত অবিহনে মূল্যহীন। এই লোকগীতসমূহো কিন্তু নাৰী চৰিত্ৰৰ প্ৰভাৱত অধিক উজ্জ্বল হৈ উঠা দেখা যায়। (নেওগ, ২০০৮, পৃঃ১০)

নাৰীৰ সৌন্দৰ্য প্ৰকাশৰ উদাহৰণ স্বৰূপে যদি অসমীয়া গীতি-সাহিত্যৰ বিহুগীতসমূহলৈ মন কৰা যায়, তেন্তে দেখা যায় যে এই বিহুগীতসমূহ প্ৰধানকৈ নাৰী কেন্দ্ৰিক। ইয়াৰ মুখ্য কাৰণ হৈছে বিহুগীতসমূহ হ'ল প্ৰকৃততে যৌৱনৰ গীত। অসমীয়া ডেকা গাভৰুৰ প্ৰেম-চঞ্চল মনোভাৱৰ মুক্ত প্ৰকাশ ঘটে বিহুগীতসমূহৰ মাজেৰে। সেয়েহে অসমীয়া ডেকাৰ উদ্দাম যৌৱনে বিহুগীতত উপমাৰ প্ৰয়োগেৰে সুন্দৰী নাৰীৰ ৰূপৰ বৰ্ণনা কৰি প্ৰেমৰ পূৰ্ব ৰাগৰ ঘোষণা কৰিব বিচাৰে।

তোমাৰ চকুযোৰ স্বৰগৰ তৰা যেন,
কিনো খামুচীয়া কঁকাল । (শৰ্মা, ২০০৬,পৃঃ ১৭ )

মানৱ-জীৱনৰ এক উল্লেখযোগ্য তথা মাংগলিক কাৰ্য বিবাহ উপলক্ষে ৰচিত গীতসমূহো প্ৰধানকৈ নাৰীকেন্দ্ৰিক। বিয়া- গীতসমূহত সাধাৰণতে কইনা গৰাকী মুখ্য চৰিত্ৰ যদিও দৰা-কইনাৰ মাক আৰু অন্যান্য

Created by Universal Document Converter

সম্পৰ্কীয় নাৰীয়েও বিয়া-গীতত স্থান লাভ কৰে। ভালেমান বিয়ানামত কইনাক সীতা, ৰুক্মিণী , পাৰ্বতী আদিৰ লগত তুলনা কৰা হয় আৰু দৰা বা কইনাৰ মাকক ৰাধা, যশোদা, মেনকা আদি নামেৰে নামকৰণ কৰা হয়। আয়তীসকলে তেওঁলোকৰ সৰল কল্পনা শক্তি আৰু  মধুৰ উপমা প্ৰয়োগেৰে কৰুণ ৰসৰ সৃষ্টি কৰে।

কেলেই কুটিলা                    চুমৈকৈ পছলা ?

লোকে বাটি ভৰাই খাব;

কেলেই তুলিলা                    ৰূপহী আইদেউক

লোকে বনে কৰাই খাব।                (নেওগ,২০০৮,পৃঃ১২)

সেইদৰে আই- নাম, শীতলা- নাম, দুৰ্গা- নাম আদিতো আৰাধ্যা দেৱীৰ ৰূপ-গুণৰ বৰ্ণনাৰে আইমাতৃৰ আশীৰ্বাদ কামনা কৰা হয়। কামৰূপী লোকগীত কিছুমানক আকৌ ধৰ্মীয় আখ্যান বা কিংবদন্তীৰ মুখ্য নাৰী চৰিত্ৰৰ জীৱন গাথাঁৰে ৰঞ্জিত কৰি তোলা হয়। এই জাতীয় লোকগীতসমূহত প্ৰধানকৈ, বেউলা, ৰাধা, মেনকা,ৰুক্মিণী আদি নাৰী চৰিত্ৰসমূহ সাধাৰণ মানুহৰ দৰে চিত্ৰিত হোৱা দেখা যায়। দেৱীৰ চৰিত্ৰসমূহো মানৱী চৰিত্ৰৰ লগত একাকাৰ হৈ যায়। এনে ক্ষেত্ৰত চৰিত্ৰটিৰ সুখ-দুখক প্ৰাধান্য দি শ্ৰোতাৰ হৃদয়ত প্ৰৱেশ  কৰিবলৈ প্ৰয়াস কৰা হয়।

অ' আই কেনে বিয়া দিলা বাপে ।।

মৰিলো মৰিলো সমুলাই মৰিলো জটীয়া ভাঙুৰাৰ তাতে ।।     (ৰায় আৰু দাস (সং) ২০১৩ ,পৃঃ ২৯)

আখ্যান মূলক গীত বা মালিতাসমূহতো নাৰী চৰিত্ৰৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, জনা গাভৰুৰ গীত, মণিকোৱঁৰৰ গীত, ফুলকোঁৱৰৰ গীত, নাহৰৰ গীত  আদিতো নাৰী চৰিত্ৰসমূহ উজ্জ্বল ৰূপত দেখা যায়। এনে মালিতাসমূহত নাৰী যদি কেতিয়াবা বিদুষী মহিলা, কেতিয়াবা সুন্দৰী ৰূপহী প্ৰেমিকা হিচাপে

Created by Universal Document Converter

চিত্ৰিত হৈছে। চহা লোকৰ মাজত অতিশয় জনপ্ৰিয় ভাউৰা বা বহুৱাৰ গীতত আকৌ কেতিয়াবা নাৰী চৰিত্ৰসমূহক ধেমেলীয়া ৰূপত বৰ্ণনা কৰি শ্ৰোতাক হাঁহিৰ খোৰাক যোগোৱা হয়।

মোৰ বুঢ়ীৰ গুণৰ কথা কিনো কম মই ।
ৰান্ধি বাঢ়ি আগে খায় পিছে খাওঁ মই।।
ধানকেটা বানো মই বুঢ়ী থাকে ঘুমে।
গাত হাত দিলে কি তাই জাপ মাৰি উঠে।।          (শৰ্মা, ২০০৬,পৃঃ (২৮) )

## ৪.২.১ প্ৰাচীন অসমীয়া গীতিসাহিত্যত নাৰীৰ চিত্ৰণ

অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন ৰূপে পৰিচিত দ্বাদশ শতিকা মানত ৰচিত *চৰ্য্যাপদ* সমূহ যদিও সহজযান ধৰ্মৰ তত্ত্বগধুৰ গীত হিচাপে স্বীকৃত, এই *চৰ্য্যা*সমূহো কিন্তু সাধাৰণ জনগণ, বিশেষকৈ সমাজৰ নিম্নশ্ৰেণীটোৰ জীৱন চিত্ৰৰে চিত্ৰিত। এই *চৰ্য্যা*সমূহ বৌদ্ধ গুৰুসকলৰ দ্বাৰা সাংকেতিক বা সান্ধ্য ভাষাৰে ৰচিত যদিও *চৰ্য্যা*ৰ ৰচকসকলে সেইখিনি সময়ৰ সমাজখনৰ কিছু সংখ্যক নাৰীৰ চিত্ৰণ বৰ সুন্দৰ আৰু সাৱলীল ভাৱে কেইটিমান চৰ্য্যাত উপস্থাপন কৰিছে। তেনে চৰ্য্যাসমূহত নাৰীৰ শৃংগাৰ ৰসৰো পয়োভৰ ঘটা দেখা যায়। তলত উল্লেখিত উদাহৰণটিত ময়ূৰ পাখিৰে লাহী দেহাটি সজাই পৰাই হৃদয় অনুভূতি ব্যক্ত কৰা শৱৰী বালিকাৰ অনুৰাগ প্ৰকাশ পোৱা দেখা গৈছে।

উচাঁ উচাঁ পাৱত তঁহি বসই সবৰী বালী।
মোৰংগি পীচ্ছ পৰহিণ সৱৰী গিবত গুঞ্জৰী মালী।।
উন্মত্ত সবৰো , পাগল সবৰো মাকৰ গুলী গুহাড়া তোহৌৰী।
নিঅ’ ঘৰথী নামে সহজ সুন্দৰী ।।

Created by Universal Document Converter

অর্থাৎ ,ওখ ওখ পর্বত,তাতে শবৰ বালিকাই বাস কৰে। ময়ূৰৰ দীঘল পাখি তাই পৰিধান কৰে, গলত গুঞ্জৰ মালা পিন্ধে। শবৰ ডেকাই এই অপৰূপ বেশত সজ্জিতা শবৰীক দেখি উন্মত্ত হৈ উঠে। তেতিয়া শবৰীয়ে তাক কৈছে যে ইমান চঞ্চল হৈ পৰাৰ আৱশ্যক নাই। তাইৰ অভিনৱ বেশৰ বাবেই শবৰৰ মনত ভ্ৰান্তি উপজিছে; আচলতে তাইতো তাৰেই পত্নী।

(হাজৰিকা,১৯৮৭, পৃঃ ১২৪)

*চৰ্যা* পদৰ ৫০ নং চৰ্যাত যৌৱনদীপ্ত নাৰীক মিলন পিয়াসী নাৰী হিচাবে চিত্ৰিত কৰিছে। গুণ্ডৰীপাদ ৰচিত আন এটি *চৰ্যাত* যোগিনীৰ ৰূপত নৈৰাত্মাদেৱীৰ মাহাত্ম্য বৰ্ণনা কৰি এক চিত্ৰকল্প ৰচনা কৰা হৈছে। *চৰ্যা*পদসমূহৰ প্ৰধান উদ্দেশ্য বৌদ্ধধৰ্মৰ সাৰ কথা প্ৰচাৰ যদিও ঠায়ে ঠায়ে *চৰ্যা*সমূহত নাৰীক কেতিয়াবা গৃহস্থালি চণ্ডালা বোৱাৰী, কেতিয়াবা মদ প্ৰস্তুত কাৰক শূড়িৰ পত্নী, কেতিয়াবা ডুমুনী আৰু কেতিয়াবা আকৌ কলহ কাৰী শাহু আৰু ননদ ৰূপে চিত্ৰায়িত কৰা হৈছে। (হাজৰিকা,১৯৮৭, পৃঃ ১২৯-১৮৫)

প্ৰাক্-শঙ্কৰী যুগৰ হেম সৰস্বতী, মাধৱ কন্দলী, হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলী, কবিৰত্ন সৰস্বতী প্ৰমুখ্যে মেধাৱী কবি সকলে ৰচনা কৰা ধৰ্মীয় কাব্যসমূহকো যদি সুৰীয়া অৰ্থত গীতৰ শাৰীত ধৰাা যায় , তেন্তে ক'ব লাগিব যে তেওঁলোকে প্ৰাঞ্জল আৰু শক্তিশালী বৰ্ণনাৰে শৃংগাৰ ৰসক পৰিহাৰ কৰি ধৰ্মীয় নাৰী চৰিত্ৰসমূহক মহীয়সী নাৰীৰ ৰূপত চিত্ৰিত কৰিছিল। সময় বিশেষে কবিসকলে কোনো নাৰীৰ চৰিত্ৰৰ বৰ্ণনাৰে পাঠক বা শ্ৰোতাক আমোদ দিবলৈও চেষ্টা কৰা দেখা যায়। উদাহৰণ স্বৰূপে মাধৱ কন্দলীৰ *ৰামায়ণৰ* অযোধ্যা কাণ্ডত ভৰত মাতুল গৃহৰ পৰা উভটি অহাৰ পিছত কুজী বুঢ়ীয়ে সাজ-পোছাক, আ-অলঙ্কাৰ পিন্ধি ভৰতৰ গুপ্ত পটেশ্বৰী হবলৈ হাবিয়াস কৰাৰ ৰসাল বৰ্ণনা আছে। আকৌ মহিষী কৈকেয়ীকো মাধৱ কন্দলীয়ে এগৰাকী হৃদয়হীনা নাৰী ৰূপে পাঠক সমাজৰ আগত ডাঙি ধৰিছে।

যক্ষিণী ডাইনী তই স্বস্বামীভক্ষিণী।

পিশাচিনী আৰে ৰাণ্ডী ভৈলি আলখিণী।।

Created by Universal Document Converter

সকলো লোকক শোকে মাৰিলি বিছুই।

অযোধ্যা ৰাজ্যত তৈ ভৈলি সোণগুঁই ।। (শৰ্মা,২০০৯, পৃঃ ৬৫, ৬৮)

বঙলা- অসমীয়া উমৈহতীয়া সাহিত্যৰ 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনিৰ এটি মুখ্য চৰিত্ৰ ৰাধাৰ চৰিত্ৰটোৰ চিত্ৰণ এগৰাকী সুন্দৰী প্ৰেমিকাৰ ৰূপত কৰা হৈছে। অসমীয়া গীতি-সাহিত্যই বৈষ্ণৱ যুগত প্ৰৱেশ কৰাৰ পিছত ভক্তিৰসেই কাব্য আৰু গীত বা বৰগীতসমূহৰ মাজত প্ৰাধান্য পালে যদিও কবি সকলে প্ৰয়োজনত নাৰীৰ সৌন্দৰ্য বৰ্ণন বা যশোদাৰ দৰে মৰমিয়াল মাতৃৰ চিত্ৰণ কৰিবলৈ পিছ-হোঁহকা নাই। এনে গীতসমূহত কেতিয়াবা আকৌ যশোদাক পুত্ৰক শাসন কৰা মাতৃৰ ৰূপতো চিত্ৰণ কৰা হয়। ৰাধাক কেতিয়াবা কৃষ্ণৰ জ্যেষ্ঠ ভগিনীৰ দৰে অভিভাৱিকাৰ ৰূপতো উপস্থাপন কৰা হয়।

ধ্ৰু.— গোপাল পলায়া আছে মাৰে মাৰিবাৰ ডৰে।

ভূষণ হৰায়া হৰি ভয়ে নাইসে ঘৰে।।

পদ — কদম্ব তলে ছৱাল কানাই একা শুতিয়া আছে।

পানীক গৈয়া ৰাধা দেখিয়া আইলা হৰিৰ কাছে।।

চোঞ্চা নিবে অলংকাৰ মাৰিয়া সমূলি।

ভূষণ খসায়া ৰাধা লৈলা এহি বুলি।।

(অৰ্থাৎ ,যশোদা মাতৃয়ে মাৰিব বুলি ভয়ত গোপাল পলাইছে। অলংকাৰ হেৰুৱাই ভয়ত হৰি ঘৰলৈ নাহে। শিশু কানাই অকলে কদম গছৰ তলত শুই আছিল। পানী আনিবলৈ গৈ ৰাধাই দেখা পাই কৃষ্ণৰ ওচৰ চাপি গ'ল। ৰাধাই ভাৱিলে —চোৰে এওঁক মাৰি অলংকাৰ লৈ যাব। গতিকে ৰাধাই অলংকাৰ সোলোকাই লুকুৱাই থলে।) (মহন্ত (সং), ২০০৮, পৃঃ ১৬৯)

বৈষ্ণৱ যুগৰ সাহিত্যৰ শংকৰদেৱৰ ৰচনাৰ ৰুক্মিণী-হৰণ কাব্যৰ ৰুক্মিণী, উত্তৰাকাণ্ডৰ সীতা আদি বিভিন্ন নাৰী চৰিত্ৰই ভাৰতীয় নাৰী স্বৰূপে নাৰী সুলভ মান, অভিমান,শৃংগাৰ, সৌন্দৰ্য, প্ৰেম, বিৰহ আদিৰে বিভূষিতা

Created by Universal Document Converter

হৈ নাৰী চৰিত্ৰসমূহক জিলিকাই তুলিছে। পাৰিজাত হৰণৰ সত্যভামা আৰু শচীৰ চৰিত্ৰই স্ত্ৰী-কলহ প্ৰতিবিম্বিত কৰিছে। মাধৱদেৱৰ ৰচনাৰ বৰগীতসমূহত শ্ৰীকৃষ্ণৰ বাৎসল্য প্ৰেমৰ সমান্তৰালকৈ যশোদাৰ মাতৃত্ব আৰু শিশু শ্ৰীকৃষ্ণৰ ৰূপ-গুণত মতলীয়া হোৱা গোপিনীসমূহৰ চিত্ৰণ সুন্দৰকৈ হোৱা দেখা যায়।সেইদৰে শ্ৰীধৰ কন্দলীৰ ঘুনুচা কীৰ্তনত চিত্ৰিত ৰুক্মিণী এগৰাকী ঈৰ্ষা-পৰায়ণা, অভিমানী নাৰী। (শৰ্মা,২০০৯, পৃঃ ১৫১)

পাঁচালি কাব্যৰ কবিসকলে তেওঁলোকৰ গীতসমূহত নাৰী প্ৰমুখ্যে বিভিন্ন চৰিত্ৰ সমূহক আদৰ্শাত্মক স্তৰত নাৰাখি সাধাৰণ মানৱীয় স্তৰলৈ নমাই অনাৰ প্ৰৱণতা দেখা যায়। পীতাম্বৰ কবি ৰচিত *ঊষা-পৰিণয়* কাব্যত কবিয়ে ঊষাক বিৰহিনীৰ ৰূপত সুন্দৰকৈ ফুটাই তুলিছে।

বিষাদে বিমনা ঊষা হে, সময় মধুমাসে ।

হেন সময় ফুলবনে স্বামী নাহি পাশে।। ( শৰ্মা, ২০০৯, পৃঃ ৯৬)

কবি দুৰ্গাবৰ ৰচিত কাব্য গীতি-ৰামায়ণত সীতাক সৌন্দৰ্য, ধৈৰ্য প্ৰেম , বিৰহ আৰু শোকৰ প্ৰতিমূৰ্তি ৰূপে প্ৰকাশ কৰিছে। মনসা কাব্যৰ ৰচক , যেনে সুকবি নাৰায়ণদেৱ, দুৰ্গাবৰ, মনকৰ আদিৰ ৰচনাত বেউলাৰ চৰিত্ৰৰ পৰা সতী নাৰীৰ উদাহৰণ, মনসাৰ চৰিত্ৰৰ পৰা নাৰীসুলভ কপটতা আদি ফুটি উঠিছে। দৈৱিক নাৰী চৰিত্ৰসমূহে মানৱীয় ৰূপ ধাৰণ কৰাৰ বাবেই সম্ভৱতঃ শ্ৰোতা আৰু পাঠকৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তেনেকৈ আহোম ৰজাসকলৰ পৃষ্ঠ পোষকতাত গঢ় লৈ উঠা শাক্ত কাব্য-সাহিত্যসমূহ শৃংগাৰ ৰসেৰে ভৰপূৰ আছিল। আহোম ৰাজত্ব কালৰ স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহ ৰসিক আৰু বিলাসপ্ৰিয় ৰজা আছিল। সেয়েহে ভক্তি ৰসেৰে ভৰপূৰ বৈষ্ণৱ সাহিত্যৰ সংযমী ৰূপটোৱে শাক্ত-সাহিত্যৰ যুগত ৰাজভৱনৰ বিলাসিতাৰ লগত খাপ খাই পৰাকৈ শৃংগাৰ আৰু কামোন্মাদক বৰ্ণনাৰে ৰঞ্জিত হৈ পৰিল। সেই সময়ৰ *শকুন্তলা কাব্য, মৃগাৱতী চৰিত, মধুমালতী কাব্য* আদিৰ গীতত নাৰী চৰিত্ৰসমূহ উজ্জ্বলকৈ উপস্থাপন কৰা হৈছিল। কেউখনি কাব্যত মুখ্য নাৰী চৰিত্ৰসমূহ একোগৰাকী সুন্দৰী তথা বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে প্ৰেমাস্পদৰ আশিসধন্যা

Created by Universal Document Converter

নাৰী। ১৬৪৮ চনত কবিৰাজ চক্ৰৱৰ্তীয়ে ৰচনা কৰা *শংখচূড় বধ* কাব্যত বৰ্ণিত সতী তুলসীৰ কাহিনীত তুলসীক শংখচূড়ৰ প্ৰেমিকা, ছদ্মবেশী কৃষ্ণৰ হাতত সতীত্ব হেৰুৱাই দুৰ্ভোগ ভোগা নাৰী,পিছত আকৌ বৈকুণ্ঠত কৃষ্ণৰ দ্বাৰা পত্নীৰ মৰ্যাদা পোৱা নাৰী হিচাবে চিত্ৰণ কৰিছে। কিন্তু কাব্যখনিত ঠায়ে ঠায়ে আদি ৰসাত্মক বিৰৰণো পোৱা যায়। একেজনা কবিৰ ৰচনাত *শকুন্তলা কাব্য* ত কবিৰ নিজস্ব কল্পনাৰ পৰশ পৰিছে বাবে মুখ্য নাৰী চৰিত্ৰ শকুন্তলাকে ধৰি মেনকা, প্ৰিয়ম্বদা, অনুসূয়া আদি নাৰী চৰিত্ৰবোৰে কালিদাসৰ *অভিজ্ঞানম্ শকুন্তলমৰ* নাৰী চৰিত্ৰতকৈ অভিনৱ ৰূপ পৰিগ্ৰহণ কৰিছে। শংকৰোত্তৰ কালত অসমীয়া গীতি-সাহিত্যত ক্ৰমান্বয়ে নাৰী চৰিত্ৰৰ অনুপ্ৰবেশ ঘটাৰ এটি সফল উদাহৰণ হ'ল কলাপচন্দ্ৰ দ্বিজ ৰচিত এখন সৰু কাব্য *ৰাধা চৰিত*। ইয়াত ৰাধাক এগৰাকী কৃষ্ণ-ভক্তা নাৰী হিচাবে চিত্ৰণ কৰা হৈছে। তলৰ পদ ফাঁকিত বিৰহিনী ৰাধাৰ ম্লান পৰা শৰীৰৰ ৰূপ বৰ্ণনা কৰা হৈছে।

আছন্ত আসনে বসি ৰাধিকা সুন্দৰী

সদায় নাছাড়ে মুখ ৰাম কৃষ্ণ বাণী।।

কিঞ্চিতো নাহিকে প্ৰভা তান শৰীৰত।

নাহি শ্ৰুতিজ্ঞান আৰু ৰাধাৰ দেহত।।

নাহি গাত মাংস অস্থি চৰ্মমাত্ৰ সাৰ।

দেখিলা উদ্ধৱে হেন অৱস্থা ৰাধাৰ।। (শৰ্মা,২০০৯, পৃঃ ২৭০)

সপ্তদশৰ শেষ আৰু অষ্টাদশ শতিকাৰ আৰম্ভণিত ৰচিত হোৱা বুলি অনুমান কৰা গ্ৰন্থ *জয়মতী কুৱঁৰীৰ গীত, পদুম কুৱঁৰীৰ গীত* আদিও ঐতিহাসিক নাৰী চৰিত্ৰৰে মহীয়ান। (শৰ্মা,২০০৯, পৃঃ ২০৭,২৩৬,১৭০)

## ৪.২.২ আধুনিক অসমীয়া গীতি-সাহিত্যত নাৰীৰ চিত্ৰণ

Created by Universal Document Converter

অসম বৃটিছ্ৰ অধীনলৈ যোৱাৰ সম-সাময়িক ঘটনা স্বৰূপে বংগীয় সংস্কৃতিৰ প্ৰভাৱ আৰু অসমত খ্ৰীষ্টিয়ান মিছনেৰীসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ পৰিপ্ৰেক্ষিতত এচাম শিক্ষিত অসমীয়া মানুহৰ প্ৰচেষ্টাত অসমত আধুনিক গীতৰ এটি নতুন যুগৰ সূচনা হয়। এনে আধুনিক গীতৰ বাটকটীয়া স্বৰূপ লক্ষ্মীৰাম বৰুৱাই ভালে সংখ্যক ৰাগভিত্তিক গীতৰচনা কৰিলে যদিও পূৰ্বৰ পৰা চলি অহা গীতি-সাহিত্যৰ ধাৰাটোক নেওচি তেখেতৰ গীতত নাৰীক অন্য ৰূপত প্ৰকাশ নকৰি ভক্তিৰসপূৰ্ণ গীতৰ মাজতেই নাৰীৰ চিত্ৰণ সীমাবদ্ধ ৰাখে। তেখেতৰ 'নমো বীণাপাণি জ্ঞানদায়িনী' শীৰ্ষক গীতটি তাৰেই মুক্ত প্ৰকাশ। ক্ৰমাৎ সময়ে সোঁত সলোৱাৰ লগে লগে অসমীয়া আধুনিক গীতত নাৰীয়ে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগতে অসমীয়া সাহিত্যত সণ্চালনিকৈ নামি অহা স্বদেশ-প্ৰীতিৰ জোৱাৰে গীতিকাৰসকলকো স্পৰ্শ কৰি গ'ল। সেয়েহে নিজৰ দেশখনক জন্মদাত্ৰী মাতৃৰ লগত তুলনা কৰি ভালে সংখ্যক গীতিকাৰে ভালেমান গীত ৰচনা কৰে। তাৰে ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' শীৰ্ষক গীতটিক অসমৰ অধিক সংখ্যক লোকে জাতীয় সংগীত বুলিও আদৰি ল'লে। পিছলৈ এই গীতটি অসম চৰকাৰৰ দ্বাৰাও অসমৰ জাতীয় সংগীত বুলি স্বীকৃত হৈছিল। গীতটিত মাতৃভূমিৰ প্ৰতি থকা সন্তানৰ সন্মান আৰু চেনেহৰ মুক্ত প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়।

অ' মোৰ ওপজা ঠাই ।  
অ' মোৰ অসমী আই।  
চাই লওঁ এবাৰ  
মুখনি তোমাৰ  
হেঁপাহ মোৰ পলোৱা নাই।। (দাস(সং),২০১০, পৃঃ ২৯)

লক্ষ্মীনাথ বেজবৰুৱাৰ গীতত কাল্পনিক নাৰী চৰিত্ৰয়ো প্ৰাণ পাই উঠা দেখা যায়। ' ল'ৰা বুঢ়া কাক কয় ডালিমী নুবুজে তাক' শীৰ্ষক গীতটিত কাল্পনিক ঐতিহাসিক চৰিত্ৰ ডালিমীক এজনী সহজ সৰল আজঁলি নগা

Created by Universal Document Converter

গাভৰু ৰূপে গীতিকাৰজনে সজাইছে। সেই সময়ৰে গীতিকাৰ চন্দ্ৰকুমাৰ আগৰৱালাই ‘জয়মতী’ কথা ছবিৰ বাবে লিখা এটি গীততো অসম-দেশ মাতৃক এগৰাকী নাৰী হিচাবে গণ্য কৰি নাৰীগৰাকীৰ সৌন্দৰ্য আৰু গুণ-গৰিমা ব্যাখ্যা কৰিছিল।

অসমা সুষমা নিৰূপমা কামৰূপা কামদা
জয়তু জননী ধৰিত্ৰী দুহিতা।
হিমাচলো তুংগ উদীচি দিশা
জিমূতভৃত সলিলা
লৌহিত্যমধ্য প্ৰবাহশীলা কামৰূপা কামদা।                (দাস(সং),২০১০, পৃঃ ২৭)

পাৰ্বতিপ্ৰসাদৰ এটি গীতত আকৌ আছিল আই মাতৃৰ প্ৰতি থকা হৃদয়ৰ আকুলতা। মংগল বন্তি জ্বলাই চন্দনৰ প্ৰলেপেৰে পবিত্ৰ কৰি আই মাতৃৰ চৰণত পূজা আগবঢ়াবলৈ বিচৰা গীতিকাৰ জনে লিখিছিল, *পূজো আঁহা আই মাতৃ চৰণ কমল / উঠক বাজি জয়ৰ ধ্বনি পৰম মংগল* । পাৰ্বতিপ্ৰসাদ বৰুৱাই মাতৃভূমি অসমৰ জয়গান কৰি গৌৰৱ বোধ কৰিছিল। গীতিকাৰজনৰ মতে এই অসমৰ মাটিৰ মূল্য সোণতকৈয়ো অধিক। দুখীয়া নিচলা হ’লেও মাতৃভূমিৰ সমান আৰু কোনো হ’ব নোৱাৰে।

নোবোলো তোক সোণৰ অসম
মাটিৰ অসম আই,
সোণতকৈও যে চৰা এই মাটি
এয়ে মোৰ ওপজা ঠাই ।                (দাস(সং),২০১০, পৃঃ ৪৬)

গীতিকাৰ কীৰ্তিনাথ শৰ্মা বৰদলৈৰ বাবেও অসমখন চেনেহী আই স্বৰূপা। লুইতৰ দুপাৰ শুৱাই ব্যাপি থকা অসমৰ দৃশ্যৰাজিয়ে তেওঁৰ মন ভৰাই তোলে। সেয়েহে গীতৰ মাজত ফুটি উঠে চেনেহী অসমীৰ সৌন্দৰ্যৰ

Created by Universal Document Converter

জয়গান।

অসমীয়া মোৰ বুকুৰ আপোন
অসমী যে মোৰ চেনেহী আই
জগতৰ এই সোণৰ চানেকি
প্ৰাণ-মন হৰা ঠাই । (দাস(সং),২০১০, পৃঃ ১০৭)

কবি গীতিকাৰ গণেশ গগৈৰ গীততো একেটা সুৰ দেখিবলৈ পোৱা যায়। অসম মাতৃৰ পূজাত বিলম্ব নকৰিবলৈ গণেশ গগৈয়ে বাৰম্বাৰ অসম সন্তান সকলক সকীয়াই দিছে —

মাতৃপূজাত হেলা নকৰিবি
অৰ্ঘ্য দিবৰ সময় হ'ল,
উঠ অসমীয়া, আহ অসমীয়া
অৰুণ পদত পূজিবি ব'ল। (নেওগ (সং), ২০১২, পৃঃ৪৭)

মাতৃৰূপিণী জনমভূমি কেতিয়াবা গীতিকাৰৰ হৃদয়ৰ বেদীত এনেদৰে প্ৰতিষ্ঠিত হয় যে গীতিকাৰজনে মাতৃভূমিৰ ঋণ পৰিশোধ কৰিবলৈ ব্যাকুল হৈ পৰে। গীতিকাৰ মুকুল বৰুৱাৰ এটি গীতত আছিল তাৰেই অনুৰণন—

আই তোক কিহেৰে পূজিমে
আই তোৰ চৰণে দুখানি
আই অ' কিহেৰে পূজিমে তোক

Created by Universal Document Converter

আই অ' জীৱন দি পূজিমে তোক ।　　　　(দাস(সং),২০১০, পৃঃ ১০৩)

অসম সন্তান গীতিকাৰ ভূপেন হাজৰিকাৰ বাবে এই অসমখন ৰূপে-গুণে অতুলনীয় এগৰাকী সুন্দৰী নাৰী সদৃশ। গীতিকাৰজনৰ ব্যাখ্যাত গোটেই জীৱন বিচাৰিলেও ৰসাল মাটিয়ে জনজীৱন জীপাল কৰি তোলা এনে এখনি সুন্দৰ ঠাই এই পৃথিৱীত বিচাৰি পোৱা নাযায় ।

অসমী আই ৰূপহী, গুণৰো নাই শেষ

ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।

গোটেই জীৱন বিচাৰিলেও, অলেখ দিৱস ৰাতি

অসম দেশৰ দৰে নেপাওঁ ইমান ৰসাল মাটি　　　(হাজৰিকা, ২০১০,পৃঃ৫৩)

ভূপেন হাজৰিকাৰ মৌলিকতাৰে ভৰা গীতত সদায় দেশৰ মাটিৰ থলুৱা গোন্ধ অনুভৱ কৰিবলৈ পোৱা যায়। কৃষকৰ সুহৃদ হৈ কৃষকৰ আবেগেৰে গীতিকাৰজনে সেয়েহে ধৰিত্ৰী আইক আহ্বান জনায়—

অ' মোৰ ধৰিত্ৰী আই

চৰণতে দিবা ঠাই

খেতিয়কৰ নিস্তাৰ নাই

মাটি বিনে অসহায়

দয়া কৰা দয়াশীলা আই।　　　(হাজৰিকা, ২০১০,পৃঃ৩২)

একেজন গীতিকাৰ ভূপেন হাজৰিকাই এসময়ত দেশলৈ অহা অশান্তি অমংগলৰ প্ৰকোপ দেখি আই মাতৃৰ দুখত কাতৰ হৈ ৰচনা কৰা এই গীতটিত গীতিকাৰৰ অন্তৰৰ বেদনাৰ মুক্ত প্ৰকাশ ঘটা দেখিবলৈ পোৱা

Created by Universal Document Converter

যায়—

বুকু হম হম কৰে — মোৰ আই

কোনে নিদ্ৰা হৰে — মোৰ আই

পুত্ৰ হৈ মই কিমতে তৰোঁ?

আই , তোৰে হৈ মই মৰোঁ ।। (হাজৰিকা, ২০১০,পৃঃ ৩৫৪)

যিটো ভাষাৰে মানুহে মনৰ ভাৱ আদান প্ৰদান কৰে সেই মাতৃভাষাটোও কেতিয়াবা গীতিকাৰৰ গীতৰ মাজত চেনেহী মাতৃৰ ৰূপত মূৰ্তমান হৈ উঠে। তেনে এক ভাৱধাৰাৰে গীতিকাৰ মিত্ৰদেৱ মহন্তই ৰচনা কৰা এটি গীতে আজি কোপতি অসম সাহিত্য সভাৰ আদৰণি গীত হিচাবে সন্মান লাভ কৰি আহিছে।

চিৰ চেনেহী মোৰ ভাষা- জননী !

আই ধন্যে পূণ্যে হৃৎ-পাৱনী !!

প্ৰকৃতি- পৰশ- ৰসে অমল কমল,

চঞ্চল হৃদি-জলে ঢালে পৰিমল! (নেওগ (সং), ২০১২, পৃঃ১৬)

সেইদৰে কেতিয়াবা এক চেনেহী জন্মদাত্ৰী মাতৃৰ ৰূপ গীতিকাৰৰ নিটোল শব্দ চয়নৰ মাজত স্পষ্ট হৈ উঠে। মাতৃৰ মৰমত বিগলিত হৈ অতীত ৰোমন্থন কৰি গীতিকাৰে শ্ৰদ্ধাৰে মাকক সোঁৱৰে। তেনে এক সোঁৱৰণিৰ মুক্ত প্ৰকাশ ঘটিছে সতীশ দাসৰ এই গীতটিত—

কেতিয়াবা

বেজাৰতে

টোপনি নাহিলে মোৰ

Created by Universal Document Converter

কপালতে যেন

হাত যোৰা বুলাই ।  (দাস(সং),২০১০, পৃঃ ২৯৪)

তেনেকৈ আকৌ অসমত যেতিয়া বাপতি সাহোন স্বৰূপ বিহু নাইবা অন্য উছৱৰ বা লাগে তেতিয়া কোনো কোনো গীতিকাৰৰ চকুত সমগ্ৰ অসমখনেই এগৰাকী নাৰীৰ ৰূপত অনন্যা হৈ পৰে। তেতিয়া অসমীৰ বুকুত উঠা উছৱৰ আনন্দৰ লগত গীতিকাৰৰ নিজৰ আনন্দ একাকাৰ হৈ পৰে। গীতিকাৰ পুৰুষোত্তম দাসৰ গীতত বাজি উঠিছিল তাৰেই অমিয়া সুৰ—

শ্ৰীময়ী অসমীৰ  শীতল বুকুত উঠে

উছৱৰ মধু আলোড়ন।

জাগে গম্ভীৰ গিৰিবৰ  প্ৰান্তৰ মনোহৰ

সুন্দৰ বন-উপবন ।  (দাস(সং),২০১০, পৃঃ ৭০)

জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰত্যক্ষ ৰূপত দেশমাতৃক নাৰী হিচাবে বৰ্ণনা কৰা নাই যদিও গীতসমূহত নাৰীয়ে এক অভিনৱ স্থান পাইছে।  শস্য-শ্যামলা ধৰণীৰ সেউজী ৰূপে মন মুহি  ৰখা এইজন গীতিকাৰে কথাছবিৰ দৃশ্যপটৰ প্ৰয়োজনত ৰচিত গীতত বোৱতী লুইতৰ পানীক  অসম বুৰঞ্জীৰ এটি সৱল নাৰী চৰিত্ৰ সতী জয়মতীৰ কাহিনী কৈ অসমৰ জীয়ৰী-বোৱাৰীৰ বাবে এটুপি সোৰঁৰণিৰ চকুলো পেলোৱাৰ আহ্বানো আছে।

এটুপি দুটুপি তেজে তিনিটুপি

দেশৰ হকে জয়াই গ'লে বিলাই

অসমৰ জীয়ৰী অসমৰ বোৱাৰী

Created by Universal Document Converter

এটুপি চকুলো যোৰা পেলাই......  (দাস(সং),২০১০, পৃঃ ৩৮)

জ্যোতিপ্ৰসাদৰ গীতত ঐতিহাসিক চৰিত্ৰৰ লগতে কাল্পনিক বা শাস্ত্ৰীয় চৰিত্ৰসমূহেও প্ৰাণ পাই উঠা দেখা যায়। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদৰ লিখনীত জীৱন্ত হৈ উঠিছিল হিন্দু শাস্ত্ৰত উল্লেখিত দুটি প্ৰখ্যাত নাৰী চৰিত্ৰ ঊষা আৰু চিত্ৰলেখাৰ জীৱন গাঁথা। তলত উল্লেখিত গীতটি ঊষাৰ সখী চিত্ৰলেখাৰ মনোভাৱেৰে ঊষাক উদ্দেশ্যি ৰচনা কৰা হৈছিল।

আমাৰে সখিয়া আকুল বিয়াকুলে

সপোনৰ হাঁহিটি চাই,

সপোনত কোঁৱৰে আহুদি আনিলে

মতলীয়া সখী খাই।  (নেওগ (সং), ২০১২, পৃঃ২১)

গীতিকাৰ তফজ্জুল আলিৰ এটি গীতত্তো চিত্ৰলেখাৰ সুন্দৰ চিত্ৰণ দেখিবলৈ পোৱা যায়। ধৰ্মীয় গ্ৰন্থ আৰু কিংবদন্তিত চিত্ৰলেখা এগৰাকী ৰূপে গুণে অতুলনীয় বিদূষী অসমীয়া নাৰী। সেয়েহে তফজ্জুল আলিৰ লিখনীত চিত্ৰলেখাৰ গুণ-গৰিমা এটি গীতৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ পাইছে। গীতটিত চিত্ৰলেখাৰ গুণ আৰু ৰূপ যেন গীতিকাৰৰ আকৰ্ষণৰ কেন্দ্ৰ-বিন্দু স্বৰূপ হৈ পৰিছে।

তোমাৰ তুলিত অশেষ ৰহণ

জানো জানো

কৰিলা মোৰ দৃষ্টি হৰণ

তাকো জানো

নৃত্য-চপল তোমাৰ চৰণ

Created by Universal Document Converter

নাপাওঁ দেখা।।                (নেওগ (সং), ২০১২, পৃঃ৭৬)

চিত্ৰলেখাক মূল চৰিত্ৰ হিচাবে লৈ ভূপেন হাজৰিকায়ো এটি গীত লিখিছিল। কিন্তু এই গীতটিত ভূপেন হাজৰিকাই চিত্ৰলেখাক এক নতুন ৰঙেৰে আধুনিক ৰূপত ৰঞ্জিত কৰি তুলিছে। ভূপেন হাজৰিকাৰ দৃষ্টিত এইগৰাকী চিত্ৰলেখা সমাজ সংস্কাৰক আৰু জনজীৱনৰ দিকদৰ্শী স্বৰূপা । এই গৰাকী চিত্ৰলেখাই এক চিন্তাশীল নায়কৰ সৃষ্টি কৰি সমাজখনক সঠিক বাটেৰে আগুৱাই নিব পাৰে। সেয়েহে ভূপেন হাজৰিকাই সেই কাল্পনিক চিত্ৰলেখাক গীতৰ মাজেৰে আহ্বান জনাইছিল —

চিত্ৰলেখা চিত্ৰলেখা

চিত্ৰ এখন আঁকানা

চিত্ৰপটত চিন্তাশীল এক

চিন্তানায়ক আঁকানা।।                ( হাজৰিকা,২০০৮,পৃঃ ১৯১)

জ্যোতিপ্ৰসাদৰ সমসাময়িক বিষ্ণুৰাভা এহাতে যেনেকৈ বিপ্লৱী গীতিকাৰ, আনহাতে তেওঁ আছিল এগৰাকী ৰোমাণ্টিক মনৰ কথা শিল্পী। বিষ্ণু ৰাভাৰ গীতত টিলাই টিলাই নাচি ফুৰা খাম্‌টি ছোৱালীৰ বৰ্ণন, আঁচল ভৰাই ফুল বুটলি ফুৰা আজলী ছোৱালীৰ চিত্ৰণে গীতবোৰক নতুনত্ব প্ৰদান কৰা দেখা যায়। বিষ্ণুৰাভাৰ এনে গীতবোৰত কেতিয়াবা সৰল মনা গাভৰু বা কেতিয়াবা চঞ্চলা-চপলা গাভৰুৰ চিত্ৰণে শ্ৰোতাক অনাবিল আনন্দ প্ৰদান কৰে।

টিলাই টিলাই

ঘূৰি ফুৰে উলাহেৰে

খাম্‌টি ছোৱালী।

Created by Universal Document Converter

ঘন কলীয়া মেঘৰে

আঁৰে আঁৰে

ৰঙ মনেৰে খেলি ফুৰে

নাচনী বিজুলী। (দাস(সং),২০১০, পৃঃ ৩৯)

জ্যোতিপ্ৰসাদ আগৰৱালায়ো গীতৰ জৰিয়তে গাৱেঁ গাৱেঁ জ্ঞানৰ বন্তি জ্বলাই যাবলৈ প্ৰয়াস কৰা গাৱলীয়া ডেকাৰ সহচৰী ৰূপে গাৱঁৰ গাভৰু সকলৰ চিত্ৰণ কৰিছিল। পথাৰখনক বুকুত সাৱটি ৰখা এই গাভৰু সকলে সোণোৱালী ধানৰ শস্য চপাই আৰ্থিক ভাৱে স্বচ্ছল কৰি গাওঁ খনিক নদন বদন কৰি ৰখাৰ হেঁপাহ কৰে।

গাৱঁলীয়া ছোৱালী

শেৱালি মই নেৱালি

গাঁৱৰ কোলাত হাঁহি মাতি

সোণ ধানেৰে জেউতি চৰাম।। (নেওগ (সং), ২০১২, পৃঃ২১)

বনগীতৰ সফল গীতিকাৰ আনন্দিৰাম দাসৰ এটি গীতত সাতো শৃংগাৰেৰে সজ্জিত অসমীয়া জীয়ৰী-বোৱাৰীৰ ৰূপৰ সুন্দৰ বৰ্ণনা দেখিবলৈ পোৱা যায়। গাভৰু শৰীৰত মুগাৰ ৰিহা- মেখেলা, দেহত সোণৰ বিবিধ অলংকাৰ, জেতুকাৰে বোলোৱা ৰাঙলী হাতে গীতিকাৰৰ মনত প্ৰণয়ৰ ৰেখা আঁকে। খোজত ফুল ফুলা, হাঁহিত নিজৰা বোৱা, মৌ সনা মাতেৰে কথা কোৱা অসমীয়া নাৰীৰ চিত্ৰণে গীতিকাৰৰ লগতে শ্ৰোতাৰ মনলৈ অনাবিল আনন্দৰ সোঁত বোৱাই আনে।

অসমৰ শুৱনি জীয়াৰী বোৱাৰী

কাণত মিনা কৰা কেৰু

Created by Universal Document Converter

ডিঙিত সাতেসৰী                বুকুত জোনবিৰি

হাতত সোণৰ গামেখাৰু।                (দাস(সং),২০১০, পৃঃ ৩৮)

গীতিকাৰক কেতিয়াবা অচিনাকী ৰূপৱতী গাভৰুৰ ৰূপেও মোহাচ্ছন্ন কৰি তোলে। সবল সুঠাম গাঁৱৰ ডেকা সৰুকণৰ পিছে পিছে বাট বুলা ন-কইনাৰ বেশত অপৰূপ সৌন্দৰ্যৰ আঁকৰ স্বৰূপ গীতিকাৰৰ কল্পনাৰ সেই গাভৰু গৰাকীৰ ৰূপৰ বৰ্ণনা গীতিকাৰ ভবেন বৰঠাকুৰৰ কলমেৰে এনেদৰে নিগৰিছিল—

কোন সেই ৰূপৱতী যায় যায়

কপালত সূৰুয জলাই

দুকাষৰ ধাননি কঁপায়।                (দাস(সং),২০১০, পৃঃ ১৮৫)

মহিলা গীতিকাৰ আলিমুন্নিছা পীয়াৰৰ এটি গীতত নৱ-যৌৱনাৰ প্ৰতি উপদেশ আৰু সঁকিয়নি প্ৰতিফলিত হৈছিল। যৌৱনৰ বলিয়া বতাহে যাতে ন-গাভৰুৰ অবুজন মনক কেতিয়াবা বিপদত পেলাব পাৰে। গীতিকাৰ আলিমুন্নিছা পীয়াৰে গীতৰ মাজেৰে তাকেই দোহাৰিছিল —

অ' জাকৈ লাহেকৈ বাবি সখী

জাকৈ লাহেকৈ বাবি

কোনে ঘনকৈ বজায় পেঁপাটি

মনে পিছলে চাবি

খোজ লাহেকৈ দিবি সখী

খোজ লাহেকৈ দিবি ।।                (দাস(সং),২০১০, পৃঃ ১৮৪)

অসমৰ মানুহৰ জীৱনৰ মূল শিপাডাল থাকে অসমৰ গাওঁসমূহত। সেয়েহে গীতিকাৰসকলে সুযোগ সুবিধা

Created by Universal Document Converter

পালেই গাঁৱৰ ৰূপহী যুৱতীসকলৰ ৰূপৰ বৰ্ণনা কৰিবলৈ ভাল পায়। ভূপেন হাজৰিকাই 'পিয়লী ফুকন ' বোলছবিৰ বাবে ৰচনা কৰা এটি গীতত তেনে এক প্ৰকাশ দেখা যায়—

গাঁৱৰে জীয়ৰী সপোন সুন্দৰী

গাৱঁতে সৰগ ৰচো মই

মাটিতে সৰগ ৰচো মোক

দেৱতাই ৰ লাগি চায়।  (দাস(সং),২০১০, পৃঃ ১৯৩)

গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ গীততো অসমৰ গাঁৱৰ অনিন্দ্য সুন্দৰ প্ৰতিচ্ছবি জিলিকি থাকে। অসমৰ গাঁৱৰ জীয়াৰী-বোৱাৰীয়ে কাজী হাতেৰে তাঁত চলায়, পথাৰৰ একাঠু বোকাত নামি কঠিয়া পাৰে, কাষত আৰু মূৰত কলহ লৈ নৈৰ পৰা পানী আনে। অসমৰ এই জীয়াৰী-বোৱাৰীক লৈ ৰুদ্ৰ বৰুৱাই ভালেমান সুৰীয়া গীত ৰচনা কৰিছিল। তেনে এটি গীত হ'ল, ' হাতে হাতে কাঁচি লৈ/ জীয়াৰী-বোৱাৰী ঐ / আহিছে আলি শুৱাই / লচ্‌ক পচ্‌ক কৰি / খোজে খোজে হালি জালি /গুটি সোণ নিবলৈ দাই'। সেইদৰে কাষত ' কলচী হালি-জালি' শীৰ্ষক গীতটিত এজনী সুন্দৰী গাভৰুৰ শৃংগাৰ , 'অ' বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা' শীৰ্ষক গীতটিত এগৰাকী সৰলমনা গাভৰুৰ মুখেৰে গাৱঁৰ চিত্ৰ সুন্দৰকৈ ফুটাই তুলিছে। আন এটি গীতত এগৰাকী বাৰ্ধক্যই গৰকি যোৱা মহিলাৰ সুন্দৰ চিত্ৰণ দেখিবলৈ পোৱা যায়। জেতুকী নামৰ সেই নামতী গৰাকীৰ সমাজত থকা স্থান আৰু তেওঁৰ অন্তৰৰ বেদনা বৰ সুন্দৰকৈ গীতিকাৰ গৰাকীয়ে ফুটাই তুলিবলৈ সক্ষম হৈছে।

হয়েৰা জেতুকী বাই

চুলি তোৰ পকালি , দাঁতবোৰ সৰালি

পৰৰ ঘৰে ঘৰে নাম-গুণ গাই .....  (গোস্বামী (সম্পা),২০১৪, পৃঃ ৩৫)

Created by Universal Document Converter

প্ৰেম এটি মিঠা শব্দ— এক মিঠা অনুভূতি। বিশ্ব সাহিত্যৰ লগতে অসমীয়া সাহিত্যলৈও সণ্টালনিকৈ নামি অহা ৰোমাণ্টিক ধাৰাটোৱে বাৰুকৈয়েই স্পৰ্শ কৰিছিল অসমীয়া গীতসমূহক। যেতিয়াই স্বৰ্গীয় প্ৰেমৰ মিঠা আবেশে গীতিকাৰসকলৰ কোমল হিয়া চুই গৈছিল , তেতিয়াই গীতৰ ভাষালৈও নামিব ধৰিছিল প্ৰেমময় শব্দৰ বন্যা। তেনে পৰিস্থিতিত অসমীয়া গীতত জীৱন্ত হৈ উঠিছিল নাৰীৰ হৃদয়ৰ বতৰা। তেনে উপলব্ধিৰেই আনন্দিৰাম দাসে লিখিছিল এটি যুগমীয়া গীত—

গোলাপী সখীৰ আজি মন হ'ল উচাটন
মধুনিশা সপোনৰ মূৰতি হেৰাই
আলসুৰা তনু-মন কোনে কৰে হৰণ
ভুৱনমোহন ৰূপ দেখুৱাই। (দাস(সং),২০১০, পৃঃ ৭৮)

বিষ্ণুপ্ৰসাদ ৰাভাই আকৌ গীতৰ জৰিয়তে নাৰীৰ শৃংগাৰ সম্পূৰ্ণ কৰি তুলিব বিচাৰিছিল। প্ৰেয়সীক হিয়াফালি তেজৰ পোৱাল মণি পিন্ধাব খোজা বিষ্ণুৰাভাৰ 'নাহৰ ফুলে নুশুৱাই' শীৰ্ষক গীতটিক বহুতো সংগীত প্ৰেমীয়ে শতিকাৰ সবাতোকৈ অধিক ৰমন্যাসিক গীত বুলি অভিহিত কৰিব খোজে। এই গীতটিত প্ৰেয়সীৰ দেহ-বল্লৰী সজাবলৈ ৰাভাই বিশ্ব-ব্ৰহ্মাণ্ডও তোলপাৰ কৰিবলৈ বিচাৰিছিল—

মহাসাগৰ সিঁচি আনিম
সাত মাণিকৰ ধন
মেঘৰ বুকু ফালি ছিঙিম
বিজুলী ফুল শুৱন, (দাস (সম্পা) , ২০০৮, পৃ ঃ ১৩০)

বিষ্ণুপ্ৰসাদ ৰাভাৰ আন এটি গীতত আকৌ স্বৰ্গীয় প্ৰেমৰ আভাই লুকা- ভাকু খেলা দেখা যায়। এই জীৱনৰ সীমনা নেওচি পৰজনমতো প্ৰেমিকাৰ সান্নিধ্যত আধ্যাত্মিক প্ৰেম লাভ কৰিবলৈ হাবিয়াস কৰা প্ৰেমিকৰ

Created by Universal Document Converter

মনোভাৱেৰে লিখা গীতটিত এগৰাকী মৰমী হিয়াৰ নাৰীৰ অস্পষ্ট ছবি ছয়া-ময়াকৈ ফুটি উঠা দেখা যায়।

পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা।
পূৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা? (দাস(সং),২০১০, পৃঃ ৪৫)

প্ৰথম প্ৰেমৰ মধুৰ চুম্বনে লাজৰ ওৰণি পিন্ধোৱা এগৰাকী নাৰী গীতিকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত জীৱন্ত হৈ উঠা দেখা যায়। বাণৰ জীয়ৰী ঊষাৰ কৃষ্ণৰ নাতি অনিৰুদ্ধৰ সৈতে গোপন মিলনৰ মুহূৰ্তটি গীতিকাৰৰ কল্পনাত যেন জীৱন্ত হৈ উঠে। লজ্জাৱতী নাৰীৰ চিত্ৰণত গীতিকাৰগৰাকী সফল হোৱা দেখা যায়।

ৰূপহ কোৱঁৰৰ চুমা পৰশতে
লাজুকী কুৱঁৰী মৰহি যায়।
সোণতে সুৱগা আহি সানি দিলে
গোলাপী গালতে ৰঙে চৰাই। (দাস(সং),২০১০, পৃঃ ৫৪)

গীতিকাৰ মলিন বৰাৰ এটি যুগমীয়া গীত 'ইমান ধুনীয়া মুকুতাৰ মালা' শীৰ্ষক গীতটিত আবেগ ভৰা শব্দৰ সহায়ত এগৰাকী ৰূপহী নাৰীক পৰোক্ষ ভাৱে প্ৰকাশ কৰা দেখা যায়। সেই নাৰীৰ প্ৰতিচ্ছবি জীৱন জুৰি হিয়াত সাঁচি ৰখাৰ অদম্য হেঁপাহেৰে গীতিকাৰগৰাকীয়ে শব্দৰ মায়াজালৰ সৃষ্টি কৰিছিল।

ইমান ধুনীয়া মুকুতাৰ মালা
ক'ত পালা তুমি দান।
কোনেনো শিকালে আৱেগে তোমাক

Created by Universal Document Converter

বেথা ভৰা মধু গান।। (দাস(সং),২০১০, পৃঃ ৭৬)

প্ৰথম যৌৱনৰ পৰশত নাৰীয়ে লাভ কৰে এক অনাবিল আনন্দ। কৈশোৰ আৰু যৌৱনৰ দোমোজাত উপস্থিত হোৱা এগৰাকী নাৰীৰ হৃদয় থৌকি-বাথৌ হয়। কিবা এক অনামী লাজুক পৰশে যেন টৌৱাই থৈ যায় সদ্যযৌৱনা যুৱতী গৰাকীক।নাৰীৰ সেই উপলব্ধিৰেই নিটোল প্ৰকাশ ঘটিছিল ভূপেন হাজৰিকাৰ এই গীতটিত।

সোণ-পুৱতিৰ সোণ আঙুলিৰ পৰশ লাগি যায়

সেই পৰশৰ মিঠা উমত দেহা দহি যায়।

বৰষাই এঙামুৰি দি সকীয়াই

মই হেনো যুৱতী হ'লো শৈশৱ আৰু নাই।

কিয় যেন আজি কালি লাজ লাজ লাগে

দাপোন খনিৰ মই জনীক সপোন সপোন লাগে। ( হাজৰিকা,২০০৮,পৃঃ ২৯৩)

প্ৰেমৰ লগত মান অভিমানৰ ওতঃপ্ৰোত সম্বন্ধ। কেতিয়াবা পত্ৰৰে যোগাযোগ ৰখা প্ৰেমিকাৰ সৈতে প্ৰেমিকৰ যোগাযোগ হেৰাই যায়। তেনে পৰিস্থিতি এটাৰ সৃষ্টি কৰি গীতিকাৰ ভূপেন হাজৰিকাই অভিমানী ভাষাৰে লিখা এটি গীতত প্ৰেমিকক প্ৰত্যাখ্যান কৰা এগৰাকী নাৰীক বিচাৰি পোৱা যায়—

হয়তো তুমি তোমাৰ মৰমবোৰ

থৈছাঁ সাঁচি কাৰোবালৈ

গুপুতে গুপুতে

তাত মোৰ ভাগেই নাই

কিম্বা মোৰ পুৰণা ঠিকনা

Created by Universal Document Converter

তোমাৰ মনত নাই। ( হাজৰিকা,২০০৮,পৃঃ ২৬৩)

ভূপেন হাজৰিকাৰ বহু সংখ্যক গীতত নাৰীৰ এটি সবল ভূমিকা দেখা যায়। ভূপেন হাজৰিকাই গীতৰ নাৰীৰ ৰূপৰবৰ্ণনাত প্ৰায়েই বলিষ্ঠ উপমাৰ প্ৰয়োগ কৰি কাব্য সৌন্দৰ্য বঢ়াই তুলিছে। 'কঁহুৱা- কোমল উশাহ' , 'শেৱালি-কোমল হাঁহি', 'হৰিণী নয়না চকু' আদিৰ দৰে উপমাৰে ভূপেন হাজৰিকাৰ গীতবোৰ ভৰপূৰ। স্ব-ৰচিত এটি গীতত কোনোবা সপোনৰ কুঁৱৰীৰ ৰূপৰ মধুৰ বৰ্ণনাৰে ভূপেন হাজৰিকাই গীতৰ কথাক এক অভিনৱ মাত্ৰা প্ৰদান কৰা দেখা যায় —

মই সপোন পুৰীৰ ৰূপকুঁৱৰী

হাতত মৃণালৰে খাৰু

অ' কাণত পদুমৰে কেৰু

পখিলীৰ স'তে মই ৰঙা ৰঙা পাখিৰে

মলয়াত উৰি ফুৰোঁ ।। ( হাজৰিকা,২০০৮,পৃঃ ৩৭৪)

গীতিকাৰ ভূপেন হাজৰিকাৰ গীতত জন- জাতীয় গাভৰু, গোৰ্খালি গাভৰু, চাহ জনগোষ্ঠীৰ নাৰী আদিৰো সাৱলীল চিত্ৰণ সঘনাই পৰিলক্ষিত হয়। সেইদৰে অধিক যুক্তাক্ষৰ যুক্ত শব্দৰ প্ৰয়োগেৰে ছন্দৰ মায়া-জাল সৃষ্টি কৰিবলৈ সততে সক্ষম হোৱা গীতিকাৰ তফজ্জুল আলিৰ গীততো সজীৱ হৈ উঠে ৰহস্যৰে আবৃত নাৰীৰ অপৰূপ সৌন্দৰ্য। সেইগৰাকী নাৰী হ'ল উজাগৰী সপোনৰ অধীশ্বৰী, হিয়াৰ পোৱাল-মণি স্বৰূপ।

মন্দাক্ৰান্তা মোৰ কবিতাত

কোন তুমি মধুছন্দা

চৌ নুতুলিবা মন্থৰা মোৰ

জীৱন অলকা নন্দা।। (দাস(সং),২০১০, পৃঃ ১৭৫)

Created by Universal Document Converter

এগৰাকী নাৰীৰ যৌৱনৰ ৰূপে পূৰ্ণতা লাভ কৰে তেওঁৰ কইনাৰ ৰূপটোত। গাভৰুৰ সৌন্দৰ্যই যেন কইনা সাজত ৰূপৰ চুপহী মেলে। গীতিকাৰ দ্বিজেন্দ্ৰমোহন শৰ্মাৰ গীতত যেনেদৰে মুগাৰ ৰিহা মেখেলা পিন্ধি লাহতী খোপাত কপৌ ফুল গুজি লোৱা মৰম লগা ছোৱালীৰ বৰ্ণনা দেখা যায়, সেইদৰে মাহ-হালধিৰে নোৱাই ধুৱাই কইনাৰ ৰূপত সজোৱা গাভৰু গৰাকীও চিত্ৰিত হোৱা দেখা যায়।

মাহ হালধিৰে নোৱালে ধুৱালে

কইনা সজালে কোনে দাপোনমতীক

কইনা সজালে কোনে?

ডিঙিত জ্বলিলে হীৰা নে মুকুতা

কপালত হাঁহিলে জোনে দাপোনমতীৰ

কপালত হাঁহিলে জোনে। (দাস(সং),২০১০, পৃঃ ৯০)

অসমীয়া গীতত যেনেকৈ অলংকাৰেৰে বিভূষিতা নাৰীৰ চিত্ৰণ দেখিবলৈ পোৱা যায়, কোনো গীতত আকৌ বিবাহৰ বাবে পৰিয়ালৰ প্ৰিয়জনক এৰি যাব লগা হোৱা নাৰীৰ বিষাদৰ বতৰাও পোৱা যায়। তেনে এটি গীতত গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈয়ে এগৰাকী বিষাদময়ী নাৰীয়ে নিজৰ ঘৰখন , আত্মীয় স্বজনক এৰি যাব লগা হোৱা দুখৰ সাৱলীল বৰ্ণনা উপস্থাপন কৰিছে—

সোণৰ খাৰু নেলাগে মোক

বিয়াৰ বাবে আই

চেনেহ জৰী তই দিয়া মোক

হাততে গুৱায়। (দাস(সং),২০১০, পৃঃ ৩১৮)

Created by Universal Document Converter

অসমীয়া গীতত কেতিয়াবা বোৱতী নদীয়েও নাৰীৰ ৰূপ ধাৰণ কৰে। উদাহৰণ স্বৰূপে ভূপেন হাজৰিকাৰ 'কপিলী কপিলী' , 'ৰাংঢালী ছোৱালী' , 'গংগা মোৰ মা', 'পদ্মা মোৰ মা' শীৰ্ষক গীত দুটিৰ কথা উল্লেখ কৰিব পাৰি। সেইদৰে অসমীয়া গীতত প্ৰকৃতিয়েও নাৰীৰ ৰূপত আত্মপ্ৰকাশ কৰা দেখা যায়। বহুতো উদাহৰণৰ ভিতৰত ভূপেন হাজৰিকাৰ 'শাৰদী ৰাণী তোমাৰ নাম' , বা দিলীপ বৰাৰ 'শ্ৰাৱণী মেঘৰ সেমেকা সন্ধ্যা' শীৰ্ষক গীত দুটিৰ কথা উনুকিয়াব পৰা যায়।

শ্ৰাৱণী মেঘৰ সেমেকা সন্ধ্যা
কজলা কেশত বিজুলী খেলা
অংগীনাত ফুলে ৰজনীগন্ধা
ডাৱৰে ঢকা শ্ৰাৱণী সন্ধ্যা ।। (দাস(সং),২০১০, পৃঃ ২১৩)

ইতিমধ্যে মাথোঁ কিয়দংশ অসমীয়া গীতিকাৰৰহে গীতত নাৰীৰ চিত্ৰণৰ বিষয়ে আলোচনা কৰা হ'ল যদিও এটি কথা দৃঢ়ভাৱে ক'ব পাৰি যে প্ৰাচীনৰ পৰা বৰ্তমানলৈ , প্ৰবীণৰ পৰা নবীনলৈ প্ৰায় সংখ্যক গীতিকাৰেই অসমীয়া গীতত বিভিন্ন ৰূপত নাৰীৰ চিত্ৰণেৰে অসমীয়া গীতক অলংকৃত কৰাৰ লগতে নিজৰ সৃষ্টি কৰ্মক সুন্দৰ ৰূপত সজাই তুলিছিল। অতীতৰে পৰা এতিয়ালৈকে অসমীয়া গীতৰ এই অবিৰত যাত্ৰাত কিছু সংখ্যক নাৰী ভিত্তিক গীতে জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰাও দেখা যায়।

Created by Universal Document Converter